জুলাই 2002 Rs. 10/-

চান্দমামা

সুগন্ধী দ্ৰব্য

চন্দনাই পুৰণি চন্দন কাঠৰ গছডালৰ ফালে মোহিত হৈ চাই আছিল । এই গছজাল কিমান পুৰণি বাৰু ! কিমান মৰ্য্যাদাপূৰ্ণ ! আৰু ইয়ে কিমান সুগন্ধ দিছিল !

ভাৰতীয় পুৰণি গ্ৰন্থবোৰৰ ভিতৰত খৃঃ পূঃ ৫ম শতিকাৰ এক বৈদিক ভাষ্য, নিৰুক্ত, পটঞ্জলীৰ মহাভাষ্য (খৃঃ পূঃ ১০০), কৌটিল্যৰ অৰ্থশাস্ত্ৰ (খৃঃ পূঃ ২০০) আৰু ৰাময়ণ আৰু মহাভাৰতত চন্দন কাঠৰ উল্লেখ আছে ।

মহীশূৰৰ চন্দনে যোৱা ৮০ বছৰৰো ওপৰ কাল তোমালোকৰ ঘৰলৈ চন্দন কাঠৰ সদগুণ কঢ়িয়া লৈ আহি আছে ।

সুগন্ধী প্ৰশ্নাৱলী

তুমি চন্দন কাঠ সম্পৰ্কে কিমান জানা ? তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া ।

১. চন্দনকাঠ এবিধ সৰল বৰ্গীয়/চিৰসেউজ/পাতসৰি যোৱা উদ্ভিদ ।

২. গছডাল কাটি/ উভালি চন্দনকাঠ সংগ্ৰহ কৰা হয়।

৩. চন্দন তেল গছডালৰ বাকলিত/ভিতৰৰ কাঠত/পাতত থাকে।

৪. চন্দন গছ পুৰঠ হবলৈ ১০-২০/৬০-৭০/১০০-১২০ বছৰ সময় লাগে ।

উত্তৰ: ১. চিৰসেউজ, ২. উভালি, ৩. ভিতৰৰ কাঠত, ৪. ৬০-৭০

A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
HERO CYCLES
V
W
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING
HTA.5979.2001

ভাৰতৰ পৌৰাণিক আখ্যান ২৪

ৰাজভক্তি (বেতাল কাহিনী) ১৯

মায়া সৰোবৰ ১১

গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ আচৰিত চকী ... ৮ ★ মায়া সৰেবৰ ... ১১
★ কুকুৰক সন্মান ... ১৮ ★ ৰাজভক্তি(বেতাল কাহিনী) ...১৯
★ ভাৰতৰ পৌৰাণিক উপাখ্যান-৩ ... ২৪ ★ ৰহস্য সন্মান ... ২৭
★ ৰসিক ব্যক্তি--তেনলীৰাম ... ৩০ ★ সঠিক উত্তৰ বাছি উলিয়া ... ৩২ ★ পিতা পুত্ৰৰ কাহিনী ... ৩৩
★ ইণ্ডিয়াস্কোপ ...৩৭ ★ অসমৰ লোককথা ... ৩৮
★ সংবাদ বিচিত্ৰা ... ৪৪ ★ গণেশ ... ৪৫
★ মানৱ ধৰ্ম ... ৫১ ★ আনক কন্দুৱা লোক ... ৫৫
★ বুঢ়ীৰ উপদেশ ... ৫৭ ★ অজেয় গৰুড় ... ৬০
★ খেলিমেলি ধেমালি ... ৬৪ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandamama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

ৰৰঙণি
বিমান ডাকযোগে পৃথিবীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ ৰৰঙণি ডিমান্ড ড্ৰাফ্ট্ বা মণিঅৰ্ডাৰ যোগে ‘চান্দমামা ইণ্ডিয়া লিমিটেড’ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক
চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements@chandamama.org
দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬
মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.


Introducing!
KOKA NAKA Milk Cookies
Now with Coconut and Milk !
Free!*
one
Fun
With Facts
book
nutrine
KOKA
NAKA
MILK
COOKIES
nutrine
KOKA
NAKA
COOKIES
nutrine
KOKA
NAKA
COOKIES
The Real Coconut... Enjoy
*
Send 20 wrappers of Nutrine Koka Naka
to Nutrine Confectionery Co. P. Ltd.,
P.O.Box No. : 38,B.V.Reddy Colony, Chittoor 517 001
and get one Fun With Facts book Free!
nutrine
India's largest selling sweets and toffees.

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া - ১০

ৰামায়ণ আৰু মহাভাৰত-এই ভাৰতীয় মহাকাব্য দুখন হিৰোৰে পৰিপূৰ্ণ। তাৰে কেইজনমানক ইয়ত উল্লেখ কৰা হ'ল। তুমি চিনিব পাৰিবা নে?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব। *

1 মই জন্মৰে পৰা মোৰ ভ্ৰাতৃৰ সঙ্গ ত্যাগ কৰা নাই। অযোধ্যাৰ ৰজা দশৰথৰ মইও এজন পুত্ৰ। সেইও এক ত্যাগ নহয়? মোৰ নাম কোৱা!

----

2 মোৰ সুপৰামৰ্শৰে মই এবাৰ মোৰ ভতিজাসকলক ৰক্ষা কৰিছিলো। মইও এজন ধৃতৰাষ্ট্ৰৰ ভ্ৰাতৃ। মই কোন বাৰু?

----

3 মোৰ দাদাই সীতাক হৰণ কৰি নিছিল আৰু ৰামৰ সৈতে যুদ্ধ কৰিছিল। কিন্তু মই ৰামৰ পক্ষত যোগদান কৰিছিলো আৰু যুদ্ধত জয়লাভ কৰাত ৰামক সহায় কৰিছিলো। তুমি মোক নজানানে?

----

4 মই বায়ুৰ পুত্ৰ আৰু পঞ্চপাণ্ডৱৰ এজন পাণ্ডৱ। মোৰ নাম কি কব পাৰিবানে?

----

5 মই এটা পক্ষী। ৰাৱণে সীতাক হৰণ কৰি লৈ যোৱা মই দেখিছিলো আৰু ৰামে সীতাক বিচাৰি আহোতে তেওঁক মই এই সংবাদ দিছিলো। তুমি মোৰ নাম জানানে?

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

প্ৰতিটো প্ৰশ্নৰ তলত দিয়া খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে? মোৰ ভাল লগা মহাকাব্যৰ হিৰোজন হ'ল .... এই বিষয়ে ১০ টা শব্দ লিখা।

....

....

প্ৰতিযোগীৰ নাম..

বয়স..........................শ্ৰেণী..........................

ঠিকনা..

পিন..........................ফোন..........................

প্ৰতিযোগীৰ চহী..

দেউতাক/মাকৰ চহী..

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz - 10
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০২ চনৰ ৫ আগষ্টৰ আগতে পোৱাকৈ উত্তৰ পঠাবা।

নিয়মাৱলী:

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে।
২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব। বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব। যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব।
৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত।
৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব।
৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব।

সংস্থাপক
বি.নাগি ৰেড্ডি আৰু চক্ৰপাণি

8-7-2002

আমি শান্তি বিচাৰো, যুদ্ধ নহয়

আমি এক কঠিন সময়ৰ মাজেৰে কাল কটাইছো । প্ৰতিদিনে বাতৰি কাকতবোৰে সীমান্ত অঞ্চলত গুলিয়া গুলিৰ বাতৰি দি আহিছে । ভাৰত আৰু পাকিস্তানৰ নেতাসকলে পৰস্পৰে পৰস্পৰক যুদ্ধবাজ আৰু সন্ত্ৰাসবাদিক প্ৰশ্ৰয় দিয়া বুলি দোষাৰোপ কৰি বিবৃতি দি আহিছে । উত্তেজনা ক্ৰমে বাঢ়ি গৈ আছে ।

আমি মনত ৰাখিব লাগিব যুদ্ধই কেৱল ধ্বংস আৰু দুৰ্দশাহে মাতি আনে । ইতিমধ্যে আমি খবৰ পাইছো কাশ্মীৰৰ গাঁৱৰ মানুহবোৰ আতঙ্কিত হৈ গাওঁ এৰি গুচি গৈছে । তেওঁলোকে জীৱনজোৰা পৰিশ্ৰমেৰে তৈয়াৰ কৰা ঘৰবাৰী, সম্পত্তি এৰি যাব লগা হৈছে । পথাৰৰ পকা ধান আৰু অন্যান্য শস্য পথাৰতে এৰিব লগা হৈছে যাৰ দ্বাৰা হাজাৰ হাজাৰ পৰিয়াল পোহ যাব পাৰিলেহেতেন ।

যুদ্ধ মনেই সৈনিকৰ মৃত্যু । লগতে ইপক্ষ আৰু সিপক্ষৰ গুলিয়া গুলিত নিৰ্দোষী মানুহৰো মৃত্যু হয় । যুদ্ধ মানেই মূল্য বৃদ্ধি, বস্তুৰ 'নাটনি...এক কথাত কবলৈ গলে সংগ্ৰাম ।

আজি আমাৰ যিৰ আৱশ্যক সেয়া হ'ল শান্তি, যুদ্ধ নহয় । শান্তি হঠাতে আকাশৰ পৰা সৰি নপৰে । শান্তি আনিবলৈ হলে অশান্তিৰ মূল কাৰণবোৰ বিচাৰি উলিয়াই তাক দূৰ কৰিব লাগিব । এই কথাটো পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল ।

দুয়োখন দেশৰ মাজত হোৱা সীমাহীন অশান্তিৰ মূল কাৰণবোৰ দূৰ কৰিবলৈ হলে উভয় দেশেই কঠোৰ পৰিশ্ৰম কৰিব লাগিব । যোৱা ৫০ বছৰে সিচি ৰখা দুয়ো দেশৰ মাজৰ ঘৃণা আৰু সন্দেৰ বীজ আঁতৰ কৰিব লাগিব ।

চান্দমামা-ই, যিয়ে এই মাহতে বাৰ্ষিকী উৎসৱ পালন কৰিছে, দুয়োখন দেশৰে শান্তিকামী মানুহৰ লগত লগ হৈ ভৱিষ্যতৰ বংশধৰসকলৰ কাৰণে শান্তিৰ আবেদন জনাইছে ।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org



আচৰিত চকী

চৰণ এজন অতি পাকৈত কাঠমিস্ত্ৰী । যৌৱন কালত তেওঁ গোটেই দেশ ভ্ৰমণ কৰি অৱশেষত নিজৰ গাঁৱলৈ ঘূৰি আহি মিস্ত্ৰীৰ কাম আৰম্ভ কৰিছিল । তেওঁৰ কাঠৰ কাম ইমান সুন্দৰ আছিল যে ইয়াৰ কাৰণে তেওঁক সকলোৱে প্ৰশংসা কৰিছিল ।

এদিন হঠাতে তেওঁৰ মনত খেয়াল হ'ল, তেওঁ এনে এখন চকী তৈয়াৰ কৰিব যিখন অতি বিচিত্ৰ হব আৰু তেনেধৰণৰ চকী আজিলৈকে কোনেও তৈয়াৰ কৰা নাই । সেই চকীত যিয়ে বহিব তেওঁ যদি ইচ্ছা কৰে যিকোনো ফালে ঘূৰিব পাৰিব আৰু দেহৰ ভাগৰ দূৰ কৰিব পাৰিব ।

চৰণে চকী তৈয়াৰ কৰা কামত লাগি গ'ল আৰু এমাহৰ ভিতৰতে আচৰিত চকী এখন তৈয়াৰ কৰি উলিয়ালে । এমাহ তেওঁ নিজে চকীখন ব্যৱহাৰ কৰি চালে । নিজৰ সফলতাত তেওঁ নিজে আনন্দিত হ'ল । তেওঁ ভাবিলে যদি এই চকীখন জমিদাৰক দেখুৱা যায় তেতিয়াহলে তেওঁ ভাল দাম দি এইখন কিনিব ।

চৰণে এদিন ৰাতিপুৱা চকীখন নিজৰ গৰুগাড়ীত বোজাই দি জমিদাৰৰ ঘৰ অভিমুখে ৰাওনা হ'ল । দুপৰীয়া তেওঁ এডাল বটগছৰ তলত গাড়ীখন ৰখালে আৰু জিৰনি লৈ লগত লৈ অহা ৰুটি খালে । তাৰ পাছত তেওঁ আকৌ যাত্ৰা আৰম্ভ কৰিব খোজোতেই আম গছ থকা ৰাস্তাটোৰ ফালৰ পৰা এখন ধুনীয়া ঘোঁৰাৰ গাড়ী অহা দেখিলে । সেই গাড়ীৰ পিছফালে দুজন ব্যক্তিয়ে কথা কৈ আহি আছিল । তাৰে এজন ওখ-পাখ আছি। তেওঁৰ দীঘল গোঁফ আছিল আৰু তেওঁৰ হাতত এডাল মূল্যবান লাঠি আছিল । তেওঁ পিন্ধা সাজ-পোচাকো খুবি দামী আছিল । তেওঁৰ লগত অহা মানুহজন সিমান ওখ নাছিল আৰু মূৰাটো হালি খোজ কাঢ়িছিল ।

মধুসূদন গাৰ্গ

কঁটীয়া মানুহজনে হঠাতে চৰণৰ গাড়ীৰ ওপৰত থকা চকী চকীখন দেখি চৰণক সুধিলে, "এই চকীখন তোমাৰ নেকি ? চকীখন খুব আচৰিত যেন লাগিছে ।"

"হয় মহাশয়, চকীখন মোৰেই । এইখন অতি বিচিত্ৰ চকী ।" তাৰপাছত তেওঁ চকীখনৰ বিশেষত্ব সম্পৰ্কে বিশদভাবে বৰ্ণনা কৰিলে । চকীখন তৈয়াৰ কৰোতে কিমান পৰিশ্ৰম কৰিব লগা হৈছিল তাৰ কথাও কলে। শেষত তেওঁ কলে, "এইখন জমিদাৰৰ ওচৰলৈ বিক্ৰী কৰিবলৈ লৈ আহিছো । অতি কমেও ইয়াৰ মূল্য পাঁচ হাজাৰ টকা পাম বুলি আশা ৰাখিছো ।"

"জমিদাৰে যদি পাঁচ হাজাৰ টকা দিবলৈ অস্বীকাৰ কৰে তেতিয়া কি কৰিবা ?" ওখ মানুহজনে হাঁহি মাৰি সুধিলে ।

চৰণে কলে, "চাৰি হাজাৰ টকা বিচাৰিম।" ওখ মানুহজনে কলে, "যদি সিমান টকাও দিবলৈ নোখোজে তেতিয়া ?" তিনিহাজাৰ টকা বিচাৰিম," চৰণে কলে । "যদি সিমান টকা দিবলৈও নোখোজে তেতিয়া কি কৰিবা ?" ওখ মানুহজনে ডাঙৰকৈ হাঁহি মাৰি সুধিলে ।

চৰণে সেই হাঁহিত এক বিশেষত্ব দেখিবলৈ পাল । তেওঁ অনুমান কৰিলে যেন দুই তিনিজন মানুহে কোনো আচৰিত বস্তু দেখি একেলগে অট্টহাস্য কৰি উঠিছে । চৰণে বিনয়পূৰ্বক কলে, "জমিদাৰে যদি দুহেজাৰ টকা দিবলৈও অস্বীকাৰ কৰে তেনেহলে মই চকীখন ঘূৰাই লৈ আহিম । যেতিয়াই মোৰ



বিশ্ৰাম লোৱাৰ ইচ্ছা হয় চকীখনত বহি মই আৰাম কৰিম ।" এইবাৰ ওখ মানুহজনৰ লগতে কঁটীয়া মানুহজনেও হাঁহিবলৈ ধৰিলে। তাৰপাছত তেওঁলোক ঘোঁৰাৰ গাড়ীত উঠি গুচি গ'ল ।

সেইদিনা আবেলি চৰণ গৈ জমিদাৰৰ ঘৰ পালে । দুৱাৰ মুখত থকা প্ৰহৰীয়ে তেওঁক ভিতৰলৈ যাবলৈ বাট এৰি দিলে । প্ৰহৰীয়ে কোনো প্ৰশ্ন নোসোধাকৈয়ে যাবলৈ দিয়া বাবে তেওঁ আচৰিত হ'ল । সেই সময়ত জমিদাৰে দেৱান আৰু দুই চাৰিজন কৰ্মচাৰীৰ সৈতে আলোচনা কৰি আছিল । তেওঁলোকে ধুনীয়া পাগুৰি মাৰিছিল আৰু পিন্ধা পোচাকবোৰো চক্‌মকীয়া আছিল ।

জমিদাৰক দেখিয়েই চৰণৰ অলপ ইতস্ততঃ লাগিল । তেওঁ ভাবিলে, 'আগতীয়াকৈ একো নজনোৱাকৈ আহি একো দোষ কৰা নাইতো । যদি মোৰ ওপৰত অসন্তুষ্ট হৈ খেদি দিয়ে মই কি কৰিম ?'

কিন্তু তেনে একো নহ'ল । জমিদাৰে এটা হাঁহি মাৰিলে । তেওঁ যেন চৰণৰ সংকোচৰ কথা জানিবহে পাৰিছিল । চৰণে সাহস কৰি চকীখনেৰে সৈতে জমিদাৰৰ ওচৰলৈ গৈ প্ৰণাম কৰিলে । তাৰ পাছত তেওঁ জমিদাৰৰ আগত চকীখনৰ বিশেষত্ব সম্পৰ্কে বৰ্ণনা কৰিলে ।

জমিদাৰে অতি মনোযোগেৰে কথাখিনি শুনি চৰণক কলে, "তোমাৰ দৰে এজন নিপুণ বাঢ়ৈ মোৰ জমিদাৰীৰ ভিতৰত থকা শুনি অতি আনন্দিত হৈছো । তুমি চাগৈ এইখন তৈয়াৰ কৰোতে বহুত পৰিশ্ৰম কৰিব লগা হৈছে । ইয়াৰ দাম কিমান লাগিব কোৱা।"

চৰণে কলে, "পাঁচ হাজাৰ টকা ।" তাৰ পাছত তেওঁলোক দুয়োৰে মাজত যি কথা হ'ল সেয়া ঠিক বটগছৰ তলত হোৱা কথাৰ নিচিনাই আছিল ।

চৰণে ভাবিলে জমিদাৰ এক নম্বৰ কৃপণ। অৱশেষত চৰণে কলে, "আপুনি যদি অতি কম দুহেজাৰ টকা নিদিয়ে চকীখন মই ঘূৰাই লৈ যাম । ইয়াতকৈ কম দামত বেচাৰ প্ৰশ্নই নুঠে ।"

চৰণৰ কথা শুনি জমিদাৰে এটা হাঁহি মাৰিলে । ঠিক সেই হাঁহিটো যিটো চৰণে বটগছৰ তলত শুনিছিল । চৰণৰ এতিয়া বুজিবলৈ বাকী নাথাকিল বট গছৰ তলত লগ পোৱা ওখ মানুহজনেই এই জমিদাৰ । চৰণে কঁপি কঁপি কলে, "মোক ক্ষমা কৰিব । মই জনা নাছিলো, আপুনিয়েই জমিদাৰ বুলি । নমস্কাৰ পৰ্য্যন্ত নজনাই মই ভুল কৰিছো । এই আচৰিত চকীখন মই আপোনাক উপহাৰ হিচাবে অৰ্পণ কৰিলো ।"

এইবাৰ অকল জমিদাৰেই তাত উপস্থিত থকা সকলোৱে জোৰে হাঁহি মাৰি উঠিল । জমিদাৰে চৰণক দহহেজাৰ টকা দিয়ালে । চৰণে অতি আনন্দিত হৈ গাঁৱলৈ উভতি গ'ল।



মায়া সৰোবৰ

4

(বটগছ জোপাৰ ওচৰৰ জাৰণিৰ মাজত সিদ্ধসাধকে এখন তালপাতৰ গ্ৰন্থ পালে । কিন্তু ৰজাৰ পুত্ৰ আৰু কন্যাৰ বিষয়ে একো জানিব পৰা নাই । তেওঁলোকে ওচৰৰে এখন অৰণ্যৰ ফালে গ'ল । সেই সময়ত সেই অঞ্চলৰ গাঁৱৰ মানুহবোৰ যেতিয়া যাঠী-জোং লৈ খেতি পথাৰৰ ফালে আগবাঢ়ি যাবলৈ ধৰিলে তেতিয়া তেওঁলোকে হাতীৰ ওপৰত উঠি থকা এক বিকৃত আকাৰৰ প্ৰাণী দেখিবলৈ পালে । হাতীটোৱে মানুহবোৰক আক্ৰমণ কৰাৰ কাৰণে সি হাতীটোক উচতাই দি আছিল ।)

সিহঁতৰ ফালে আগবাঢ়ি অহা হাতীটো আৰু তাৰ ওপৰত উঠি থকা ঘঁৰিয়ালৰ আকৃতিৰ প্ৰাণীটো দেখি গাঁৱৰ মানুহবোৰে ভয়তে থৰ থৰকৈ কঁপিবলৈ ধৰিলে । এনেতে বিকৃত আকৃতিৰ প্ৰাণীটোৱে হাতীটোক মানুহবোৰৰ ওচৰলৈ দৌৰাই লৈ আহি চিঞৰি চিঞৰি কবলৈ ধৰিলে, "মোক দেখি যিসকলে ভয়তে পলাই গৈছে সিহঁতৰ বাহিৰে মই কাৰো অনিষ্ট নকৰো ।"

তাৰ কথা শুনি গাওঁবাসীৰ মনত সাহস আহিল । সি যিমানেই বিকৃত অকৃতিৰ নহওক কিয়, সিওঁ এজন মানুহহে । স্তম্ভিত হৈ থিয় হৈ থকা গাঁৱৰ মানুহবোৰক সম্বোধন কৰি বিকৃত আকৃতিৰ প্ৰাণীটোৱে কলে, "তোমালোকৰ ভিতৰত মুখিয়াল কোন ? সেইযে টঙীঘৰত বহি আছিল, সেই ল'ৰাটো তোমালোকৰ গাঁৱৰে নেকি ? মই তাক মোৰ কাৰণে খাদ্য বস্তু আৰু লগতে এজন বৈদ্য আনিবলৈও কৈছিলো । কিন্তু তোমালোকৰ হাতে হাতে যাঠী-জোং দেখি অনুমান হৈছে তোমালোকে মোক মাৰিবলৈহে সাজু হৈ আহিছা ।"

গাঁৱৰ মানুবোৰে ভাবিলে সি বিকৃত আকৃতিৰ হলেও তেওঁলোকৰ দৰেই সিও এজন মানুহ । মুখিয়াই হাতযোৰ কৰি প্ৰণাম কৰি সেই বিকৃত প্ৰাণীটোক কলে, "মহাশয়,

আমাক মাফ কৰি দিয়ক । টঙীঘৰত খেতি ৰখি থকা ল'ৰাটোৱে আমাক সকলো কথা কৈছে । কিন্তু সি আচৰিত হাতী আৰু আচৰিত মানুহৰ কথা কৈ আমাৰ মনত ভুল ধাৰণা সোমাই দিলে । সেয়েহে আমি ভাবিলো আমাৰ খেতি নষ্ট কৰি পেলাবলৈ হাতীৰ পাল সোমাই আহিছে ।"

হাতীৰ পিঠিত উঠি থকা ঘঁৰিয়ালৰ আকৃতিৰ মানুটোৱে হাত দাঙি অতি ক্ৰোধিতভাবে কলে, "হে মুখিয়া, তুমি এইবোৰ অলাগতীয়াল কথা হে কৈ আছা । এতিয়া আচল কথা কোৱা, মোৰ কাৰণে খাদ্যবস্তু আৰু এজন বৈদ্য আনিছা নে নাই?"

তাৰ খং উঠা দেখি মুখিয়াই ভয়তে এখোজ পিচুৱাই আহি কলে, "মহাশয়, আপোনাৰ কাৰণে মোৰ ঘৰত সুস্বাদু আহাৰ বনাই আছো। আৰু বৈদ্যৰ কথা, বৈদ্য এজন নহয় একেলগে দুজন বৈদ্য লৈ আহিছো ।"

ঘঁৰিয়ালৰ আকৃতিৰ মানুহটোৱে নিজৰ পেটত সোমাই থকা তৰোৱালখনৰ ফালে এবাৰ চাই সৰুকৈ কেঁকনি এটা মাৰি কলে, "সেই বৈদ্য দুজন ক'ত আছে ?"

গাঁৱৰ মুখিয়ালজন জ্ঞানী আৰু বুদ্ধিমান লোক আছিল । তেওঁ নিজৰ হাতৰ লঠীডাল ওপৰলৈ দাঙি লৈ গাঁৱৰ মানুহবোৰক কলে, "আমাৰ চৰকাচাৰী ক'ত আছে ? বীৰনো ক'ত মৰিল গৈ ?"

চৰকাচাৰী আৰু বীৰে ভয়তে তাৰ পৰা পলাই যোৱাৰ চেষ্টাত আছিল । মুখিয়াই সিহঁতক ধৰি লৈ আহি ঘঁৰিয়ালৰ আকৃতিৰ মানুহটোৰ সম্মুখলৈ লৈ আহি কলে, "মহাশয়, এই দুজনেই হ'ল আমাৰ গাঁৱৰ বৈদ্য । দুয়োজনেই চিকিৎসা শাস্ত্রত পাৰ্গত। এওঁলোকৰ চিকিৎসা অব্যৰ্থ ।"

তাৰপাছত ঘঁৰিয়ালৰ আকৃতিৰ মানুহটোৱে পিন্ধি থকা শিৰস্ত্ৰাণটো গুচাই দিলে । তাৰ বয়স ছত্ৰিশ বছৰৰ বেচি নহ'ব । শৰীৰৰ বৰণ বগা । মূৰৰ চুলিবোৰ বাহুলৈকে পৰা ।

"এয়াতো এজন সাধাৰণ মানুহ । কোনোবা ৰাজ পৰিবাৰৰ সদস্য যেন লাগিছে," বীৰে চৰকাচাৰী বৈদ্যৰ ওচৰত থিয় হৈ তেওঁৰ কাণে কাণে ফুচফুচাই কৈছিল।

"ৰাক্ষসবোৰ অতি মায়াবী । সিহঁতে তৎক্ষণাত নিজৰ ৰূপ পৰিবৰ্তন কৰিব পাৰে। যিয়েই নহওঁক কিয়, মই গুৰুৰ আগত কৰা প্ৰতিজ্ঞা মতে ৰোগগ্ৰস্ত ৰাক্ষস তথা পিশাচকো চিকিৎসা কৰিবলৈ সাজু আছো।" চৰকাচাৰীয়ে বীৰক কলে ।

"মইও যি গুৰুৰ ওচৰত বৈদ্য শাস্ত্ৰ শিকিছো তেওঁক এই কথাই কৈছো । বাৰু,

এতিয়া আপুনি আগবাঢ়াক ।" বীৰে চৰকাচাৰীক কলে ।

চৰকাচাৰীয়ে হাতীটোৰ ওচৰলৈ আহি নম্রভাবে ঘঁৰিয়ালৰ মুখাপিন্ধা মানুহটোক কলে, "আপোনাৰ কি হৈছে, আৰু কেনেকৈ হৈছে, এই বিষয়ে অলপ কওকচোন।"

"কি, তুমি অন্ধ নহয়তো ? দেখা নাই, মোৰ পেটত এই তৰোৱালখন সোমাই আছে।" এইবুলি কৈ ঘঁৰিয়ালৰ আকৃতিৰ মানুহটোৱে পেটত সোমাই থকা তৰোৱালখনৰ ফালে দেখুৱালে ।

চৰকাচাৰীয়ে কলে, "প্ৰভু, এই বীৰ শৈল্য চিকিৎসাত অতি নিপুণ । এই বিষয়ত এওঁৰ সমান কোনো নাই । এওঁ যেতিয়াই তৰোৱালখন উলিয়াই আনিব মই তেজ বন্ধ হোৱাৰ কাৰণে আৰু ঘা শুকাব কাৰণে বনৌষধি আনি তাত লগাই দিম ।" এইবুলি কৈ চৰকাচাৰী জঙ্ঘলৰ ফালে দৌৰি দৌৰি গ'ল ।

ইয়াৰ পিছত বীৰে হাতীৰ ওপৰলৈ উঠি গৈ ঘঁৰিয়ালৰ আকৃতিৰ মানুহজনৰ পেটত সোমাই থকা তৰোৱালখনৰ ফালে ভালদৰে চাই কলে, "মহাশয়, তৰোৱালখন চিকমিকাই আছে । এইখন কোনো ৰজাৰ তৰোৱাল যেন লাগিছে ।"

তেতিয়া ঘঁৰিয়ালৰ আকৃতিৰ মানুহজনে কলে । "লাগিছে যেন নহয়, সঁচাকৈয়ে এইখন ৰজাৰ তৰোৱাল । এজন অহঙ্কাৰী ৰাজকুমাৰে মোৰ ওপৰত আক্ৰমণ কৰি তৰোৱালখন পেটত সোমাই দিছে । মই তেওঁক জীয়াই জীয়াই ধৰিব বিচাৰিছিলো আৰু সেই চেষ্টাত থাকোতেই মই বিপদত পৰিলো । মোৰ সঙ্গীজন অকৰ্মণ্য আৰু ভীৰু



আছিল । সি পলাই গ'ল । উপায়হীন হৈ মই নিজৰ প্ৰাণ ৰক্ষাৰ কাৰণে এই ঠাইলৈ আহিছো ।"

মানুহজনৰ কথাৰ দ্বাৰা বীৰৰ এইটো বুজিবলৈ পলম নালাগিল যে, যিজন ৰাজকুমাৰৰ অপহৰণৰ কথা শুনি আছিল সেইজনেই এইজন নহয়তো । তেওঁৰ অনুমান হ'ল অপহৰণকাৰী সকলৰ ভিতৰত এইজনো এজন । এতিয়া বীৰে যদি ইচ্ছা কৰে চিকিৎসা কৰাৰ চলেৰে তৰোৱালখন আৰু বেচিকৈ সুমুৱাই দি তাক মাৰি পেলাব পাৰে । কিন্তু ইয়াত বিপদো আছে । সি যদি মৰি যায় তেতিয়াহলে ৰাজকুমাৰ আৰু ৰাজকুমাৰীক ক'ত বন্দী কৰি ৰখা হৈছে সেই বিষয়ে জানিব পৰা নাযাব । সেয়েহে এই দুষ্টক মাৰি পেলোৱাতো উচিত নহব । ইয়াক চিকিৎসা কৰি ৰজাৰ হাতত গটাইদিয়াটোৱে ভাল হব। বীৰে মনে মনে ইয়াকে ভাবিলে ।



“মহাশয়, মোক নামাৰিব । সকলো মোৰ দুৰ্ভাগ্য । মোৰ এজনো পুত্ৰ নাই । ছজনী ছোৱালীৰ দেউতাক । এই বৈদ্য বৃত্তিৰ দ্বাৰাই কোনোমত পৰিয়ালটো পুহি আছো । এতিয়াই মই তৰোৱালখন উলিয়াম । দুখ পালে সহ্য কৰিব ।”

ঘঁৰিয়ালৰ আকৃতিৰ মানুহটোৱে বীৰক এৰি দিলে । বীৰে দুয়োখন হাতেৰে ভালদৰে তৰোৱালখন ধৰি পেটৰ পৰা টানি উলিয়াবলৈ গৈছিল হে, এনেতে গছৰ আঁৰৰ পৰা চৰকাচাৰীৰ চিঞৰ শুনা গ'ল, “ৰক্ষা কৰক, ৰক্ষা কৰক ।” লগতে দুই তিনিটা হাতীৰ চিঞৰো শুনা গ'ল ।

গাঁৱৰ মুখিয়ালজন তৎক্ষণাত ঘঁৰিয়ালৰ আকৃতিৰ মানুহজনৰ ওচৰলৈ আহি কলে, “ঘঁৰিয়াল মহাশয়, চৰকাচাৰীয়ে কেৱল এবাৰ চিঞৰ মাৰিয়েই মৌন হৈ গ'ল । তেওঁৰ কিবা বিপদ হৈছে যেন পাইছো । হয়তো তেওঁৰ মৃত্যুও হব পাৰে । সেয়েহে সেই হাতীবোৰে আমাক আক্ৰমণ কৰাৰ আগতে আমি গাঁৱলৈ উভতি যোৱাই ভাল হব ।”

“তুমি ঠিক কথাই কৈছা । পিছে মোৰ চিকিৎসাৰ কি হব ? এই পেটত সোমাই থকা তৰোৱালখন লৈ মই আৰু কিমান ঘূৰি ফুৰিম।” বিষতে কেঁকাই কেঁকাই ঘঁৰিয়ালৰ আকৃতিৰ মানুহটোৱে কলে ।

এনেতে আৰু এবাৰ চৰকাচাৰীৰ চিঞৰ শুনা গ'ল, “ৰক্ষা কৰক ।” আনহাতে কিছুমান জঙ্গলী হাতীয়ে গছৰ মাজে মাজে দ্ৰুতবেগে তেওঁলোকৰ ফালে দৌৰি অহা দেখিবলৈ পালে ।

ঘঁৰিয়ালৰ মুখাপিন্ধা মানুহজনে তৎক্ষণাত নিজৰ শিৰস্ত্ৰানটো ঠিক কৰি পিন্ধি লৈ হাতীটোক নিৰ্দেশ দি হাতত ত্ৰিশূলপাত

তাৰপাছত বীৰে দূৰত থিয় হৈ থকা মুখিয়ালৰ ফালে চাই কলে, “ইয়াত যেতিয়াই শৈল্য চিকিৎসাৰ কাম সম্পূৰ্ণ হব, এওঁক আমাৰ গাঁৱলৈ লৈ যাব লাগিব । প্ৰথমে কাৰোবাক গাঁৱলৈ পঠাই এওঁৰ থকাৰ কাৰণে ব্যৱস্থা কৰিব লাগে ।”

বীৰৰ কথা শুনি ঘঁৰিয়ালৰ আকৃতিৰ মানুহজনে তেওঁৰ ফালে ঘোপাকৈ চাই কলে, “তোমাৰ নাম কি বুলি কৈছিলা ? বীৰ ! ইয়াকে কৈ তেওঁ বীৰৰ ডিঙিত ধৰি ওপৰলৈ তুলি ললে । তাৰ পাছত বীৰক উদ্দেশ্য কৰি কলে, “বিষৰ ছোটত ৰব নোৱাৰি মই সকলো কথাইকৈ দিলো । মোৰ কথাৰ পৰাই তুমি মোৰ সকলো কথাই জানিব পাৰিছা যেন পাইছো । কিন্তু এই কথা যদি তুমি গাঁৱৰ অন্য মানুহৰ আগত কোৱা তাতেই তোমাক টুকুৰা-টুকুৰ কৰিম ।”

বীৰে থৰ থৰকৈ কঁপি কঁপি কলে,

তুমি ললে । বীৰে হাতীৰ ওপৰতে বহি থাকি জোৰে জোৰে চিঞৰিবলৈ ধৰিলে, "ৰক্ষা কৰা, ৰক্ষা কৰা ।" বীৰৰ চিঞৰ চৰকাচাৰীৰ চিঞৰতকৈও জোৰদাৰ আছিল ।

ঘঁৰিয়ালৰূপী মানুহটোৱে বীৰৰ চিঞৰলৈ কৰ্ণপাত নকৰি, নিজৰ হাতীটোক খুব জোৰেৰে এটা হুঙ্কাৰ দিলে, "জলগ্রহ ।"

জলগ্রহে দ্রুত বেগে আগবাঢ়িল । খেদি অহা বনৰীয়া হাতীবোৰৰ এটাক জলগ্রহে আক্রমণ কৰি আহত কৰিলে । হাতীটো মাটিত বাগৰি পৰিল । ঘঁৰিয়ালৰূপী মানুহটোৱে সুবিধা বুজি হাতত থকা ত্রিশূলপাত হাতীটোৰ কুমত মাৰি দিলে । ত্রিশূলৰ আঘাত সহ্য কৰিব নোৱাৰি হাতীটোৱে মূৰটো তললৈ কৰি মাটিত বাগৰি পৰিল । বাকী হাতীবোৰে ভয়তে উভতি পলাবলৈ ধৰিলে । ঘঁৰিয়ালৰূপী মানুহটো হাতীবোৰক খেদি লৈ গৈ বহু দূৰত থৈ আহিল । তাৰ পাছত নিজৰ হাতীটোক ৰখালে । হঠাতে তাৰ শল্য চিকিৎসক বীৰৰ কথা মনত পৰিল আৰু চাৰিওফালে নিৰীক্ষাণ কৰি 'বীৰ' 'বীৰ' বুলি চিঞৰিবলৈ ধৰিলে ।

ঘঁৰিয়াল ৰূপীৰ পিঠিৰ পিছফালে থকা বীৰে কবলৈ ধৰিলে, "মহাশয়, এতিয়ালৈকে মই ঘঁৰিয়ালৰ নেজত ধৰি ওলমি আছো। এতিয়া কওক আমি জিকিলোনে বনৰীয়া হাতীবোৰ জিকিল ?"

বীৰ বাচি আছে বুলি জানি ঘঁৰিয়ালৰূপী মানুহটোৱে মনত শান্তি পালে । তাৰ পাছত বীৰক উদ্দেশ্য কৰি কলে, "তুমি বাচি আছা, ভালেই হৈছে । ভালদৰে হাতীৰ পিঠিত বহি থাকিবা । মোৰ পেটৰ তৰোৱালখন কেতিয়া উলিয়াবা ?"



"মহাশয়, খৰধৰ নকৰিব । অনুমান হয় যুদ্ধত ব্যস্ত থাকোতে আপুনি আচল কথাই পাহৰি গৈছে । চৰকাচাৰীয়ে ইয়াৰে কৰবাত চিঞৰিছিল নহয় । তেওঁ আপোনাৰ বাবে বনৌষধি আনিবলৈ এইফালেই আহিছিল ।"

"হয়, হয় ! তেওঁক যদি বনৰ মাজতে বাঘে খাই পেলাইছে, তেনেহলে তৰোৱালখন মোৰ পেটতে সোমাই থাকিব নেকি ? সেইখন উলিয়াই আনি ঘা টুকুৰা তুমি চিকিৎসা কৰিব নোৱাৰিবা নেকি ?" ঘঁৰিয়ালৰূপী মানুটোৱে সুধিলে ।

তাৰ এই কথা শুনি বীৰে এটা ডাঙৰ হাঁহি মাৰি কলে, "মহাশয়, মই এজন শৈল্য চিকিৎসক ঠিকেই, তাৰমানে এইটো নহয় যে মই ক্ষত টুকুৰা ভাল কৰিব নোৱাৰিম । মই শল্য চিকিৎসক হিচাবে গাঁৱত থাকি নিজৰ পেট প্রবৰ্তাই আছো । মই সেইবিধ চিকিৎসা কৰিও নিজৰ গুৰুৰ সৈতে দ্রোহ

চৰকাচাৰীৰ আৰ্তনাদ শুনিছিল । তেওঁলোকে সেই ফালে আগবাঢ়ি যোৱাত অলপ দূৰ যোৱাৰ পিছতে বনৰীয়া হাতীবোৰ দেখিবলৈ পাইছিল । তাৰ লগে লগে তেওঁলোকে ঘঁৰিয়ালৰ আকৃতিৰ মানুহজনে জলগ্ৰহৰ ওপৰত উঠি বনৰীয়া হাতীবোৰক খেদি যোৱাও দেখিছিল ।

সেই দৃশ্য দখিয়েই সিদ্ধ সাধকে কিছুসময় একেথৰে চাই থাকি হাতত থকা দণ্ডডাল দাঙি কলে, "জয়শীল, এই বদমাচেই আমাৰ কনকাক্ষ মহাৰাজৰ পুত্ৰ আৰু কন্যাক অপহৰণ কৰিছে । মই আগতে কোৱাৰ নিচিনা ই নিশ্চয় কোনোবা যক্ষ, গন্ধৰ্ব বা কিন্নৰ হব ।"

এনেতে আকৌ এবাৰ চৰকাচাৰীৰ আৰ্তনাদ শুনিবলৈ পোৱা গ'ল । জয়শীলে তৎক্ষণাত খাপৰ পৰা তৰোৱাল উলিয়াই লৈ চিঞৰি কলে, "ভয় নকৰিবা, আমি গৈ আছো," এইবুলি সেইফালে তেওঁলোকে দ্ৰুত বেগে যাবলৈ ধৰিলে ।

সিদ্ধসাধকে জয়শীলৰ লগত যাবলৈ খোজা নাছিল, কিন্তু যাবলগা হ'ল । চৰকাচাৰীৰ ওচৰ গৈ পোৱাত তেওঁলোকে দেখিবলৈ পালে এডাল অজগৰে চৰকাচাৰীক মেৰিয়া ধৰি তেওঁৰ মূৰটো গিলিবলৈ চেষ্টা কৰি আছে ।

জয়শীলে একেটা জাঁপতে সেইখিনি পাই তৰোৱালখনেৰে অজগৰৰ মূৰটো জয়শীলৰ মূৰৰ পৰা আতৰাই দিয়াৰ চেষ্টাত লাগি গল। কিন্তু অজগৰটোও অতি ভোকাতুৰ আছিল। সেয়েহে সৰ্বশক্তি প্ৰয়োগ কৰি অজগৰটোৱে নিজৰ মূৰৰ পৰা তৰোৱালখন গুচাই দিলে ।

"জয়শীল, এই মানুহজন জঙ্গলী যেন লগা নাই । শিক্ষিত যেন পাইছো । প্ৰথমতে কৰিব বিচৰা নাই । মই মোৰ নিজৰ কাম কৰো আৰু তেওঁ তেওঁৰ নিজৰ কাম কৰে । এইদৰেই আমি দুয়ো পেট প্ৰবৰ্তাই আছো । আমি দুজনে এজনে আনজনৰ প্ৰতিদ্বন্দী হবলৈ নোখোজো । এনে কৰিলে গাওঁবাসীয়ে আমাৰ দুয়োৰে কোনোবা এজনক গাঁৱৰ পৰা খেদি দিব ।"

"হেই দুষ্ট, মোৰ নেজডাল এৰি দি আগৰফালে আহা । বলা, এতিয়া চৰকাচাৰিক বিচাৰো গৈ, কতনো মৰিল গৈ।" এইবুলি কৈ হাতীটোক আগবাঢ়িবলৈ সঙ্কেত দিলে ।

ইয়াৰ আগতে জয়শীল আৰু সিদ্ধ-সাধকেও চৰকাচাৰীৰ চিঞৰ শুনিবলৈ পাইছিল । তেওঁলোক দুয়ো জাৰণিৰ মাজত পোৱা তালপত্ৰৰ গ্ৰন্থখন লৈ সেই মানহজনক বিচাৰি ফুৰিছিল যিয়ে তেওঁলোকক ইয়াত এৰি গৈছিল । সেই সময়তে তেওঁলোকে

তুমি অজগৰটোক মাৰি পেলোৱা ।” চৰকাচাৰীৰ ফালে দৃষ্টি নিক্ষেপ কৰি সিদ্ধসাধকে কলে ।

জয়শীলে বাওঁহাতেৰে অজগৰটোৰ মূৰটো টানি ধৰি তৰোৱালেৰে তাৰ মূৰত প্ৰহাৰ কৰিবলৈ ধৰিলে । জয়শীলৰ তৰোৱালৰ আঘাতত তাৰ মূৰটোৰ আধা কটা গ'ল আৰু অজগৰটোৱে চটফটাবলৈ ধৰিলে।

অজগৰৰ লগতে মাটিত পৰি যাবলৈ ধৰা চৰকাচাৰীক জয়শীলে থাপমাৰি ধৰি সিদ্ধসাধকক কলে, “সাধক, অতি সোনকালে পানী লৈ আহা । মানুহজন অজ্ঞান হৈ পৰিছে, কিন্তু জীৱিত আছে ।”

সিদ্ধসাধকে দৌৰি গৈ ওচৰতে থকা সৰোবৰটোৰ পৰা নিজৰ কমণ্ডলুত পানী লৈ আহিল । জয়শীলে চৰকাচাৰীৰ মুখত পানী মাৰি দিলে । চৰকাচাৰীয়ে চকুমেলি চাই কবলৈ ধৰিলে, “মই ক'ত আছো ? জীয়াই আছো নে অজগৰৰ পেটৰ ভিতৰত আছো?”

“তুমি জীয়াই আছা । প্ৰথমতে এই মন্ত্ৰপুত পানী খোৱা । তোমাৰ ভয় দূৰ হব।” এইবুলি সিদ্ধসাধকে তেওঁক পানী খাবলৈ দিলে ।

ভয়তে থৰ থৰকৈ কঁপিথকা চৰকাচাৰীয়ে এতিয়াহে ভালদৰে চকু মেলিলে । তেওঁ সাধকক সুধিলে, “আপুনি কোন ? ঘঁৰিয়াল প্ৰভু ক'ত আছে ? বীৰ ক'ত আছে ?”

তেওঁৰ কথাৰ পৰা অনুমান হ'ল তেওঁ কাৰোবাক বিচাৰিছে । জয়শীলে সাধকক কলে, “এওঁৰ কথা শুনা । হাতীৰ ওপৰত উঠি যোৱা ঘঁৰিয়ালৰ আকৃতিৰ মানুহজনৰ লগত এওঁৰ কিবা সম্পৰ্ক আছে ।” তাৰপাছত চৰকাচাৰীক সুধিলে, “তোমাৰ নাম কি ? তুমি সেই ঘঁৰিয়ালৰূপীৰ সেৱক নে মিত্ৰ ?”

চৰকাচাৰীয়ে ইয়াৰ উত্তৰ দিবলৈ ধৰোতেই গছৰ মাজৰ পৰা ঘঁৰিয়ালৰূপী ওলাই আহি কলে, “চৰকাচাৰী হ'ল মোৰ বৈদ্য । তোমালোক কোন ? সঁচা কথা নোকোৱা যদি মই জলগ্ৰহৰ হতুৱাই তোমালোকক গচকাই মাৰিম ।”

জয়শীল আৰু সিদ্ধসাধকে তেওঁৰ ফালে অতি খঙেৰে চালে । জয়শীলৰ হাতখন লগে লগে তৰোৱালৰ মুঠিৰ ফালে গ'ল । সিদ্ধসাধকে চকুদুটা ৰঙা কৰি দণ্ডডাল জোৰে মুঠিমাৰি ধৰিলে । **(আগলৈ)**

কুকুৰক সন্মান

এদিনাখন এটা কুকুৰে ৰজাক কামুৰিলে । আচলতে যোৱা ৰাতি ৰজাই ছদ্মবেশেৰে নগৰত ফুৰি আছিল । তেতিয়াই এই দূৰ্ঘটনাটো ঘটে ।

তেওঁৰ গোঁফ বৰ ঘণ আছিল, তেওঁ মূৰত ডাঙৰ পাগুৰি বান্ধিছিল । কপালত ডাঙৰ ফোট লগাইছিল । বাটেৰে ওলাই যাওঁতে বহুৰূপীয়া ৰজাক দেখি কুকুৰবোৰে ভাবিলে কোনোবা চোৰ বুলি । সেয়েহে তেওঁক দেখি কুকুৰবোৰ ভুঁকিব ধৰিলে আৰু এটা কুকুৰে তেওঁৰ ভৰিত কামুৰি দিলে। তাৰ পৰা কোনোমতে হাত সাৰি ৰজাই ৰাজভৱন আহি পালে ।

তৎক্ষণাত কবিৰাজক মাতি আনি আৱশ্যক চিকিৎসা কৰালে । তেতিয়াহে কিছু ভয় কমিল ।

সৈন্যাধ্যক্ষতই ৰাপুৰাই যেতিয়া এই খবৰ পালে, তেওঁ বেগাবেগিকৈ ৰাজভৱনলৈ আহিলে । তেওঁ ভয়তে থৰথৰকৈ কঁপিবলৈ ধৰিলে । উদাসীন মনেৰে তেওঁ হাতযোৰ কৰি ৰজাৰ সন্মুখত থিয় হল । তেওঁ অতি নম্ৰভাবে কলে, “ক্ষমা কৰক মহাৰাজ” । বাটে বাটে ভুকভুকই থকা কুকুৰবোৰক মাৰিবলৈ মই সৈনিকসকলক কেতিয়াবাই আদেশ দিছিলো । কিন্তু ভুল হৈ গ’ল মহাৰাজ। আজিৰ পৰা মই এই কাম নিজেই কৰিম । ইয়াৰ পাছত কোনো কুকুৰেই জীয়াই নাথাকিব ।”

এই কথাত ৰজাই হাঁহিমাৰি কলে, “তোমাৰ বাহুবল আছে, কিন্তু বুদ্ধিবলৰহে অভাৱ । মোক এটা কুকুৰেহে কামুৰিছে, ইয়াৰ অৰ্থ এই নহয় যে সকলোবোৰ কুকুৰকে মাৰি শেষ কৰিবা । কুকুৰটোৱে মোক কামুৰি কোনো অপৰাধ কৰা নাই । মোৰ বেশ দেখি সিহঁতে মোক চোৰ বুলি ভাবিলে আৰু কামুৰিলে । সঁচা কথা কবলৈ হলে চোৰ ধৰা কাম সৈনিকৰহে । যি কাম সৈনিকসকলে কৰিব নোৱাৰিলে, সেই কাম কুকুৰে কৰি দেখুৱালে । ইয়াৰ অৰ্থ এইটোৱে যে আমাৰ ৰাজ্যৰ সৈনিকসকলৰ কামবোৰ এই কুকুৰবোৰেই চম্ভালিছে । সৈনিকতকৈ কুকুৰবোৰেই ভালদৰে কৰ্ত্তব্য পালন কৰি আহিছে । এই পৰিস্থিতিত মই ভাবো এই কুকুৰবোৰক আমি সন্মান কৰিব লাগে । এইটো নকৰি সিহঁতক শাস্তি দিয়াতো মুঠেই উচিত নহব ।”

সৈন্যাধ্যক্ষই অপমানতে তলমূৰ হৈ থাকিল । পিছত তাৰ পৰা তেওঁ গুচি গ’ল । ইয়াৰ পিছত তেওঁ এনে ব্যৱস্থা কৰিলে যাৰ বাবে পিছলৈ কোনো কুকুৰ বাটত দেখা নগল ।

- কুমাৰী কুন্তলা

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

ৰাজভক্তি

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ মৌনভাবে শ্মশানৰ ফালে যাবলৈ ধৰিলে। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, তোমাৰ আগ্ৰহ আৰু পৰাক্ৰম প্ৰশংসনীয় । ইয়াৰ কাৰণে তোমাক অভিনন্দন নজনাই থাকিব নোৱাৰো । য'ত তোমাৰ বহুত সদ্‌গুণ আছে, তাতে তোমাৰ কিছুমান গুণৰ অভাৱো আছে '। সেই অভাৱ পূৰণ নকৰিলে তোমাৰ অশেষ ক্ষতি হব । এটা কথাত মোৰ দুখ লাগিছে, য'ত তোমাৰ আগ্ৰহ আছে, বীৰত্ব আছে, প্ৰেম আছে, তাতে তোমাৰ যুক্তিৰ অভাৱো আছে । যিকোনো বিষয়কে যুক্তিৰে বিবেচনা কৰি



চাব লাগে । ভালদৰে বিবেচনা কৰি চাইহে কাৰ্য্যত ৰূপ দিব লাগে । এনে নকৰিলে সকলো বিফলে যাব । কাৰোবাৰ ভাল হোৱাৰ পৰিবৰ্তে ক্ষতিহে হব । মোৰ অনুমান হৈছে বীৰদত্তৰ দৰে তোমাৰো সুক্ষ্ম জ্ঞানৰ অভাৱ। যিকোনো বিষয়কে ভালদৰে পৰ্য্যালোচনা কৰি চাব লাগে। এনে নকৰিলে কিছু কথা অজ্ঞাত হৈয়ে থাকিব । তোমাক নিজকে শুধৰাবলৈ মই তোমাক সুযোগ দিছো । মই তোমাক এতিয়া সেই বীৰদত্তৰ কাহিনী কম। তুমি অতি মনোযোগেৰে শুনি গৈ থাকিবা । এইবুলি বেতালে কাহিনী কবলৈ আৰম্ভ কৰিলে ।

বহুদিন আগৰ কথা । কেচুৰ দেশত বীৰদত্ত নামে এজন যুৱকে বাস কৰিছিল । তেওঁ এজন মহান যোদ্ধা আছিল । সকলো যুদ্ধ বিদ্যাতে অতি নিপুণ আছিল । মল্লযুদ্ধ, ধনুৰ্বিদ্যা, গদা যুদ্ধ আদি সকলো যুদ্ধ বিদ্যাই তেওঁ জানিছিল । ইয়াৰ বাহিৰে তেওঁ শাস্ত্ৰতো অতি পাৰ্গত আছিল । এদিন হঠাতে কেচুৰ ৰাজ্যৰ সেনাপতিৰ মৃত্যু হ'ল। সেই পদত নিযুক্ত কৰিবলৈ ৰজাই এজন উপযুক্ত ব্যক্তিৰ সন্ধান কৰিবলৈ ধৰিলে । এই উদ্দেশ্যে নগৰত এক যোগ্যতা নিৰ্ণায়ক প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ল ।

বীৰদত্তই সেই প্ৰতিযোগিতাত ভাগ লবলৈ সিদ্ধান্ত কৰিলে । ৰাজ্যৰ সেই মৰ্য্যাদাপূৰ্ণ পদটো পাবলৈ তেওঁ সাজু হ'ল । যেতিয়া তেওঁৰ পিতাকে এই কথাতো জানিব পাৰিলে তেতিয়া তেওঁ পুত্ৰ বীৰদত্তক কলে, "বাচা, ৰজাৰ অধীনত চাকৰি কৰা মানেই বিপদৰ সন্মুখীন হোৱা । সৰু এটা ভুলেও তোমাৰ জীৱনলৈ ডাঙৰ বিপদ মতি আনিব পাৰে । সাপৰ ফণাৰ ছাঁত জিৰণি লবলৈ তুমি কিয় বিচাৰিছা ? ইয়াতে থাকি খেতি-বাতি কৰি আৰামেৰে জীৱনটো কটোৱা ।"

পিতাকৰ উপদেশ বীৰদত্তৰ মনত ঠিক যেন নালাগিল । তেওঁ নিজৰ অসন্মতি প্ৰকাশ কৰি কলে, "মই যুদ্ধবিদ্যাত নিপুণতা লাভ কৰিবলৈ বহুত পৰিশ্ৰম কৰিছো । যদি মই সেনাপতিৰ পদত নিযুক্ত হব পাৰো তেতিয়াহে মোৰ শিক্ষা লাভ কৰা সাৰ্থক হব।" এই বিষয়ে পিতাকে কিমান বুজালে, তথাপি বীৰদত্ত নিজৰ সিদ্ধান্তত অটল হৈ থাকিল । প্ৰতিযোগিতাত ভাগ লবলৈ তেওঁ ৰাজধানী অভিমুখে ৰাওনা হ'ল ।

সেই প্ৰতিযোগিতাত ভাগ লবলৈ কিমান যে যোদ্ধা তালৈ গৈছিল । প্ৰতিযোগিতাৰ প্ৰথম পৰ্য্যায় আছিল শাৰীৰিক শক্তি আৰু দৃঢ়তা, যোগ ব্যায়াম, ক্ষত্ৰিয় বিদ্যা আদি বিষয়ৰ ওপৰত । সেইবোৰত তেওঁ অনায়াসে জয়লাভ কৰিলে । এইদৰে প্ৰতিযোগিতাৰ আৰু বিভিন্ন পৰ্য্যায় আছিল । সেই সকলোবোৰতে বীৰদত্তই

প্ৰতিদ্বন্দীবোৰক পৰাজিত কৰি প্ৰথম স্থান লাভ কৰিলে।

ইয়াৰ পিছত তেওঁক কেচুৰ দেশৰ ভৌগলিক পৰিস্থিতি, চুবুৰীয়া মিত্ৰ আৰু শত্ৰু দেশবোৰৰ সৈন্য বল আৰু যুদ্ধশাস্ত্ৰৰ বিভিন্ন নীতি সম্পৰ্কে তেওঁক প্ৰশ্ন সোধা হ'ল । বীৰদত্তই সেই সকলোবোৰৰে সঠিক উত্তৰ দিলে । তেতিয়া বীৰদত্তই মনতে ভাবিলে তেওঁৱেই প্ৰতিযোগিতাত প্ৰথম হব আৰু সেনাপতি পদৰ বাবে যোগ্য বুলি বিবেচিত হব । তেওঁৰ বিশ্বাস আৰু বেচি দৃঢ় হ'ল, যেতিয়া তেওঁৰ থকাৰ ব্যৱস্থা এটা অতি সুন্দৰ ভৱনত কৰা হ'ল ।

পিছদিনা কেচুৰ দেশৰ মহামন্ত্ৰী ত্ৰিনাথে নিজেই বীৰদত্তক লগ কৰিবলৈ সেই ভৱনলৈ আহিল । মন্ত্ৰীয়ে প্ৰথমতে তেওঁৰ বীৰত্ব আৰু জ্ঞানৰ প্ৰশংসা কৰিলে । তাৰপাছত মন্ত্ৰীয়ে আকৌ কলে, "আমাৰ বিশ্বাস সেনাপতি পদৰ কাৰণে আৱশ্যকীয় সকলো প্ৰকাৰ যোগ্যতাই তোমাৰ আছে । দেশ ৰক্ষাৰ কাৰণে এই পদৰ অধিক গুৰুত্ব আছে । কিন্তু এই পদ তুমি চলাব পাৰিবা নে নাই এই বিষয়ে সকলোৱে নিশ্চিত হব পৰা নাই । সেয়েহে মাজে মাজে তোমাৰ সৰু সুৰা পৰীক্ষা হৈ থাকিব । ইয়াৰ কাৰণে তুমি আৰু কিছুদিন অপেক্ষা কৰিব লাগিব । ছমাহ তুমি ৰজাৰ দৰবাৰত কাম কৰিব লাগিব । তোমাক যি কাম কৰিবলৈ দিয়া হয় তাক সুচাৰুৰূপে কৰিবা । তুমি পদাধিকাৰী বুলি কব নোৱাৰিবা। মই আশা কৰো ইয়াৰ পিছত তুমি সেনাপতি হব পাৰিবা ।"

ইয়াৰ পিছত দুমাহলৈকে বীৰদত্তক কোনো কামৰে দায়িত্ব দিয়া নহল । এদিন হঠাৎ মন্ত্ৰী ত্ৰিনাথে তেওঁক মাতি পঠালে । তেওঁ মন্ত্ৰীক লগ

ধৰিবলৈ গ'ল ।

মন্ত্ৰীয়ে বীৰদত্তক অতি আদৰ-সাদৰকৈ বহিবলৈ দি কলে, 'বীৰদত্ত, গুপ্তচৰ বিভাগৰ মুখ্য অধিকাৰীৰ পৰা এতিয়াই এক খবৰ পোৱা গ'ল । আমাৰ মহাৰাজ কেচুৰসিংহৰ এক অভ্যাস আছে । তেওঁ প্ৰতিদিন মহাৰাণীৰ সৈতে উদ্যান বনলৈ ফুৰবলৈ যায় । সেই সময়ত উদ্যানবনত তেওঁলোকৰ বাহিৰে আৰু কোনো নাথাকে । আনকি তেওঁৰ দেহৰক্ষীকো সেই সময়ত তালৈ যাবলৈ অনুমতি নিদিয়ে । শত্ৰুয়ে এই ৰহস্যৰ কথা জানিব পাৰিছে আৰু তেওঁলোকে ৰজা আৰু ৰাণীক সেই সময়তে হত্যা কৰাৰ পৰিকল্পনা কৰিছে । আজিৰ পৰা ৰজা আৰু ৰাণীক ৰক্ষা কৰাৰ ভাৰ তোমাৰ ওপৰত অৰ্পণ কৰা হ'ল। সেই সময়ত তুমি উদ্যানবনত থাকিবা । কিন্তু এই কথা মনত ৰাখিবা তোমাৰ উপস্থিতিৰ কথা ৰজা আৰু

ৰাণীয়ে যেন একো গম নাপায়। যদি তেওঁলোকে জানিব পাৰে যে তেওঁলোকৰ বাহিৰেও আৰু কেনোবা উদানবনত আছে তেতিয়া তোমাক কঠোৰ শাস্তি বিহা হব । সাৱধানে থাকিবা ।"

বীৰদত্তই সেই কাৰ্য্যভাৰ নিজৰ হাতত ললে। সেইদিনাৰ পৰা বীৰদত্তই আঁৰে আঁৰে ৰজা-ৰাণীৰ পিছে পিছে ফুৰিবলৈ ধৰিলে । ৰজা-আৰু ৰাণীয়ে যাতে এই কথা গম নাপায় তাৰ কাৰণে তেওঁ খুব সাৱধানে আছিল । এইদৰে চাৰি দিন পাৰ হৈ গ'ল । পঞ্চম দিনাখন হঠাতে চাৰিজন দুষ্ট মানুহে ৰাজদম্পতিৰ ওপৰত আক্ৰমণ চলালে । কেচুৰসিংহই সিহঁতৰ সম্মুখীন হবলৈ খোজোতেই তাৰ আগতে বীৰদত্তই তৰোৱাল লৈ শত্ৰুৰ ওপৰত জাঁপিয়াই পৰিল । চাৰিওজন মানুহেই ভয়তে তাৰ পৰা পলাই গ'ল ।

বীৰদত্তই ৰজা আৰু ৰাণীক পণাম কৰিলে আৰু যোৱা চাৰিদিন ধৰি তেওঁলোকক ৰক্ষা কৰাৰ কাৰণে কেনেদৰে তেওঁ পিছে পিছে ফুৰি আছে সেই কথাও কলে । এই কথা শুনিয়েই ৰজাই তেওঁক বন্দী কৰিবলৈ হুকুম দিলে ।

সেইদিনা ৰাতি মন্ত্ৰী ত্ৰিনাথে বীৰদত্তক দেখা কৰিবলৈ গ'ল । সকলো কথা শুনাৰ পিছত মন্ত্ৰীয়ে সহানুভূতি প্ৰকাশ কৰি বীৰদত্তক কলে, "বীৰদত্ত, কালি তুমি দৰবাৰত হাজিৰ হব লাগিব। মহাৰাজে নিশ্চয় তোমাক কঠোৰ শাস্তি দিব । ৰজাৰ দৰবাৰ এনেধৰণৰ বিপদেৰে পূৰ্ণ। যিয়েই নহওক, তোমাৰ যি বিপদ আহি আছে তাৰ কাৰক এক প্ৰকাৰ ময়েই । সেয়েহে মই তোমাক পৰামৰ্শ দিও তুমি ইয়াৰ পৰা পলাই যোৱা । ইয়াৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা মই কৰিম । মই কোনো ধৰণে ৰজাক বুজাই-বঢ়াই কম ।"

বীৰদত্তই অলপ সময় চিন্তা কৰি কলে, "মহামন্ত্ৰী, আপুনি মোক যি দায়িত্ব ভাৰ অৰ্পণ কৰিছে তাকেই মই ঠিকমতে পালন কৰিছো।

কালিলৈ মহাৰাজে মোক কি দণ্ড দিব সেই বিষয়ে মই চিন্তাই কৰা নাই। মই কলৈকো নাযাওঁ, কাৰণ জানি বুজি মই একো দোষ কৰা নাই। আপোনাৰ উদাৰ হৃদয়ৰ কাৰণে আপোনাক অশেষ ধন্যবাদ।"

এই কথা শুনি মন্ত্ৰীয়ে হাঁহি এটা মাৰি বীৰদত্তৰ কান্ধত থপৰিয়াই দি তাৰ পৰা গুচি গ'ল।

কাহিনী শেষ হোৱাৰ পিছত বেতালে ৰজা বিক্ৰমাদিত্যক কলে, "ৰাজন, বীৰদত্ত এজন বীৰ যোদ্ধা হব পাৰে, কিন্তু মোৰ অনুমান হয় তেওঁ এজন মহামুৰ্খও। পিতাকৰ কথা অমান্য কৰি ৰাজ দৰবৰালৈ চাকৰি বিচাৰি অহাটোৱেই তেওঁৰ মুৰ্খামী হৈছে। মহামন্ত্ৰীৰ পৰামৰ্শও নাকচ কৰি জেলতে থকাৰ সিদ্ধান্ত কৰিলে। যি ৰজাৰ তেওঁ প্ৰাণ ৰক্ষা কৰিলে সেই ৰজাই তেওঁক জেলত বন্দী কৰি থলে। এনে কঠোৰ আৰু অকৃতজ্ঞ ৰজাক তেওঁ কিয় বিশ্বাস কৰিলে? তেওঁ দৰবাৰত বিচাৰৰ সম্মুখীন হোৱাৰ কিয় সিদ্ধান্ত ললে? এই কথাৰ উত্তৰ জানিও যদি তুমি মৌন হৈ থাকা তেতিয়াহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব।"

ইয়াৰ উত্তৰ স্বৰূপে বিক্ৰমাদিত্যই কলে, "বীৰদত্ত যে এজন বীৰ-যোদ্ধা তাত কোনো সন্দেহ নাই। তেওঁক মুৰ্খ বুলি ভবাতো এক মুৰ্খামীয়েই হব। এনে ব্যক্তি ৰাজদৰবাৰত কাম কৰাৰ বাবে সম্পূৰ্ণ উপযুক্ত। এই কাৰণে বীৰদত্তয়ো সেনাপতি পদৰ কাৰণে হোৱা প্ৰতিযোগিতাত ভাগ লৈছে। মহামন্ত্ৰীয়ে ঠিকেই কৈছে, পৰাক্ৰম আৰু যুদ্ধবিদ্যাই মাথোঁ সেনাপতি পদৰ মাপকাঠি নহয়। ৰাজদম্পতিক ৰক্ষা কৰাৰ কাৰণে তেওঁ অকলেই চাৰিজন দুষ্টৰ ওপৰত আক্ৰমণ চলাইছে। ৰজা ৰাণী বিপদত পৰা বুলি দেখুৱাতো এক পৰীক্ষা মাত্ৰ। বীৰদত্তক বন্দী কৰি ৰখা আৰু পিছদিনা বিচাৰ পতাতো ৰজা আৰু মন্ত্ৰীৰ কৌশল মাথোঁ। তেওঁৰ ৰাজভক্তি, দেশভক্তি তথা কৰ্তব্যপৰায়ণতাৰ বিষয়ে জানিবলৈ তেওঁলোকে এই পৰীক্ষা লৈছিল। মন্ত্ৰীয়ে বীৰদত্তক জেলৰ পৰা পলাই যাবলৈ সুবিধা কৰি দিব খুজিছিল, তথাপি তেওঁ পলাই যাবলৈ অসন্মতি প্ৰকাশ কৰিলে। ইয়াৰ দ্বাৰা তেওঁৰ ৰাজভক্তি প্ৰমাণিত হ'ল। সেয়েহে মন্ত্ৰীয়ে হাঁহি মাৰি বীৰদত্তৰ কান্ধত মৃদুভাবে থপৰিয়াই দিছিল। এইটোৱে ইয়াকে বুজাইছে যে বীৰদত্তৰ সেনাপতি হোৱাৰ সম্পূৰ্ণ যোগ্যতা আছে আৰু এই বিষয়ত লোৱা সকলো পৰীক্ষাতে তেওঁ প্ৰথম হৈছে।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ শটোৰে সৈতে বেতাল অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ পুনৰ ওলমি থাকিল।

- শৈলজা ব্যাসৰ ৰচনাৰ আধাৰত

বজ্ৰ কেনেকৈ শক্তিশালী কৰি গঢ়ি তোলা হৈছিল

দেৱতা আৰু দানৱ সকলৰ মাজৰ শত্ৰুতা বহুদিনৰ । তেওঁলোকে পৰস্পৰে হাজাৰ হাজাৰ বছৰ ধৰি যুদ্ধ কৰি আহিছে । কেতিয়াবা যদি দেৱতাসকলে যুদ্ধত জয়লাভ কৰে, কেতিয়াবা আকৌ দানৱ সকলে তেওঁলোকক পৰাস্ত কৰে । সংখ্যাৰ ফালৰ পৰা যদি হিচাপ কৰি চোৱা যায়, তেনেহলে দেখা যায় বেচিভাগ যুদ্ধতে দানৱসকলেই জয়লাভ কৰিছিল ।

দানৱসকলৰ ভিতৰত বেচিভাগ দানৱেই শক্তিশালী, নিপুণ আৰু মেধাশক্তি সম্পন্ন আছিল । তেওঁলোকে বহুতো কলাৰ বিষয়ে জানিছিল আৰু বিজ্ঞানৰ বিভিন্ন দিশত প্ৰচুৰ জ্ঞান আছিল । কিন্তু তেওঁলোকৰ সৈতে প্ৰধান সমস্যা হ'ল তেওঁলোকৰ অহংকাৰ আৰু আত্মম্ভৰিতা । তেওঁলোকে নিজৰ সুখ সম্ভোগৰ কাৰণে নিষ্ঠুৰো হব পাৰিছিল । তেওঁলোকৰ মাজত শান্তি, নম্ৰতা আৰু ভক্তিভাৱ নাছিল । দৰাচলতে, মাত্ৰ অলপ কেইজনমানৰ বাহিৰে তেওঁলোকে শান্তি বিচৰা লোক, ধ্যান কৰি কটোৱা লোকবোৰক ঘৃণা কৰিছিল । ঋষি মুনি সকলক তেওঁলোকে বহুত অত্যাচাৰ কৰিছিল । দেৱতাসকলে স্বৰ্গত বাস কৰিছিল । দানৱসকলে কেৱল মৰ্ত্তৰে নহয় স্বৰ্গৰো গৰাকী হব বিচাৰিছিল । মাজে সময়ে তেওঁলোকে দেৱৰাজ ইন্দ্ৰকো সিংহাসনচ্যুত কৰি স্বৰ্গৰ পৰা খেদি পঠাবলৈ সক্ষম হৈছিল । কিন্তু ব্ৰহ্মা, বিষ্ণু অথবা শিৱৰ সহায়ত ইন্দ্ৰইস্বৰ্গৰ সিংহাসন পুনৰ দখল কৰি লব পাৰিছিল ।

এসময়ত বৃত্রাসুৰ নামৰ দানৱজন ভয়ানক শক্তিশালী হৈ উঠিছিল । তেওঁ দল বল লৈ কাৰণে অকাৰণে দেৱতাসকলৰ ওপৰত আক্রমণ চলাইছিল আৰু প্রায়ে দেৱতা-সকলক পৰাস্ত কৰিছিল । ইন্দ্ৰই দানৱসকলক পৰাজিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল যদিও এইটো সম্ভব নহৈছিল । বৃত্রাসুৰে এনে এক বৰ লাভ কৰিছিল যাৰ কাৰণে তেওঁক জুয়েও নোপোৰে, পানীতো ডুবি নমৰে আৰু যিকোনো ধাতু অথবা কাঠেৰে তেয়াৰী অস্ত্র-শস্ত্রইও তেওঁৰ অনিষ্ট কৰিব নোৱাৰে ।

ইন্দ্ৰই বৃত্রাসুৰৰ অত্যাচাৰৰ পৰা কেনেকৈ মুক্ত হব পাৰি তাৰ উপায় বিচাৰি ঋষি-মুনি সকলৰ লগত আলোচনা কৰিছিল । অৱশেষত তেওঁ জানিব পাৰিছিল যে যদি কোনো ঋষিয়ে জপ-তপৰ দ্বাৰা স্বৰ্গৰ সিংহাসন লাভ কৰিব পৰা যোগ্যতা অৰ্জন কৰিব পাৰে তেওঁহে এই দানৱৰ মৃত্যু ঘটাব পাৰিব । এতিয়া এনেকুৱা ঋষি এজন ক'ত পোৱা যায় ? অৱশ্যে এজন আছে, মাত্র এজন, যিয়ে স্বৰ্গৰ সিংহাসন লাভ কৰাৰ যোগ্যতা অৰ্জন কৰিব পাৰিছে । সেইজনেই হ'ল দধীচি মুনি । কিন্তু ইন্দ্ৰৰ মুনিক এই কাম কৰিবলৈ অনুৰোধ কৰাৰ সাহস নাছিল । কাৰণ দধীচিয়ে কঠোৰ তপস্যাৰ দ্বাৰা স্বৰ্গৰ সিংহাসন লাভ কৰিব পাৰে বুলি ভয় কৰি ইন্দ্ৰই তেওঁৰ তপস্যাত বাধা জন্মাইছিল । এতিয়া ইন্দ্ৰই তেওঁক সহায় কৰাৰ কাৰণে মুনিক কেনেকৈ অনুৰোধ কৰে ?

কিন্তু ইন্দ্ৰৰ এই লজ্জাজনক কৰ্মৰ কাৰণেই যে দেৱতাসকলে তেওঁলোকক ৰক্ষা কৰাৰ কাৰণে দধীচিৰ ওচৰত আবেদন কৰিবলৈ টান পাইছিল অকল সেইটো নহয় । যি উপায়ে দধীচিয়ে দেৱতাসকলক সহায় কৰিব লাগিব সেইটো অলপ অন্য ধৰণৰ । বৃত্রাসুৰক বধ কৰিবলৈ হলে ইন্দ্ৰৰ বজ্ৰটো বিশেষ ধৰণৰ শক্তিশালী কৰি তুলিব লাগিব। আৰু সেইটো কৰিব পৰা যাব মাথোঁ দধীচি মুনিৰ হাড়ৰ দ্বাৰাহে । কাৰণ আগতেই কোৱা হৈছে কোনো ধাতু বা কাঠেৰে তৈয়াৰী অস্ত্ৰৰ দ্বাৰা বৃত্রাসুৰৰ মৃত্যু নহয় । তাৰ মানে দেৱতাসকলৰ ৰক্ষাৰ কাৰণে মুনিয়ে নিজৰ জীৱন উচৰ্গা কৰিব লাগিব । তেওঁৰ জীৱন ত্যাগ কৰাৰ পিছতহে তেওঁৰ হাড়েৰে ইন্দ্ৰৰ বজ্ৰটো অসাধৰণ শক্তিসম্পন্ন কৰি গঢ়ি তুলিব পৰা হব ।

ইন্দ্ৰ নিশ্চিত আছিল যে যেতিয়াই মুনিক এই প্ৰস্তৱটো দিয়া হব, মুনিয়ে সেই কথাটো

হাঁহি উৰুৱাই দিব । যি ইন্দ্ৰই তেওঁৰ তপস্যাত বাধা দান কৰিছিল সেই ইন্দ্ৰক তেওঁ কিয় সহায় কৰিবলৈ যাব ?

ইন্দ্ৰই গভীৰ চিন্তাত পৰি গৈছিল । কি কৰিব লাগিব তেওঁ একো ঠিক কৰিব পৰা নাছিল ।

ইতিমধ্যে বৃত্ৰাসুৰ দানৱে দেৱতা আৰু ঋষি-মুনি সকলৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল। যদিও দধীচি মুনি নিজে এইবোৰৰ পৰা আঁতৰত আছিল, তথাপিতো মুনিয়ে বৃত্ৰাসুৰৰ নিষ্ঠুৰতাৰ কথা শুনিবলৈ পাইছিল। দানৱৰ অত্যাচাৰ বন্ধ কৰাৰ একমাত্ৰ উপায়-টোৰ কথাও তেওঁ জানিব পাৰিছিল । তেওঁ একমুহূৰ্ত্তও ইতস্তত কৰা নাছিল । তেওঁ দেৱতা আৰু ঋষি-মুনি সকলক এটা যজ্ঞৰ আয়োজন কৰিবলৈ দিছিল । তেওঁ সেই যজ্ঞস্থলিতে গভীৰ ধ্যানত বহি মুনিয়ে দেহ ত্যাগ কৰিছিল।

দেৱতাসকলে দধীচি মুনিৰ হাড়েৰে ইন্দ্ৰৰ বজ্ৰটো শক্তিশালী কৰি গঢ়ি তুলিছিল । ইয়াৰ পিছৰবাৰ ইন্দ্ৰ আৰু বৃত্ৰাসুৰৰ মাজত যি যুদ্ধ হৈছিল সেই যুদ্ধত ইন্দ্ৰই অনায়াসে বৃত্ৰাসুৰক বধ কৰিছিল ।

এইদৰে এজন মুনিয়ে এক মহান কাৰ্য্যৰ কাৰণে নিজৰ জীৱন উচৰ্গা কৰিছিল । অতীতত যদিও ইন্দ্ৰই তেওঁৰ তপস্যাত বধা জন্মাইছিল, তথাপি তেওঁ ইন্দ্ৰৰ প্ৰতি বেয়া মনোভাব পুহি ৰখা নাছিল । আনহতে দানৱসকলৰ প্ৰতিও তেওঁৰ বেয়া মনোভাব নাছিল । কিন্তু তেওঁ জানিছিল দেৱতা আৰু মানৱৰ শান্তি আৰু সুৰক্ষাৰ কাৰণে দানৱসকলক খেদি পঠোৱাতো অতি আৱশ্যক । তেওঁ কঠোৰ তপস্যাৰ দ্বাৰা নিজৰ দেহটো পৱিত্ৰ কৰিছিল । তেওঁৰ মাজত বিন্দুমাত্ৰও স্বাৰ্থপৰতা নাছিল । সেয়েহে তেওঁৰ হাড় ইমান শক্তিশালী হব পাৰিছিল । তেওঁৰ মহানতা সকলোৰে মাজত এক জ্বলন্ত উদাহৰণ হৈ থাকিব ।

- বিন্দুসাৰ



ৰহস্য সন্মান

কাৰ্তিক এজন অৱস্থাপন্ন লোক । তেওঁৰ অৱস্থা ইমানেই ভাল যে, কেইপুৰষ মানলৈ আৰামেৰে খাব পাৰিব । তেওঁৰ পত্নী আৰু পুত্ৰও অতি উপযুক্ত । কোনো চিন্তা নাই । কাৰ্তিকৰ হঠাতে ডাঙৰ মানুহ হোৱাৰ ইচ্ছা জাগি উঠিল। তেওঁৰ ইচ্ছা, তেওঁ যেন প্ৰসিদ্ধ হয় আৰু মানুহে যেন তেওঁৰ প্ৰশংসা কৰে ।

তেওঁ কবিতা ৰচনা কৰিব খোজে, গান গাব খোজে, ছবি আঁকিব বিচাৰে, আনকি নৃত্য কৰিবও ইচ্ছা কৰে । যাদুকৰ হৈ সকলোকে সন্মোহিত কৰাৰ বিদ্যাও শিকিব খোজে । কিন্তু তেওঁ একোৱে হব নোৱাৰে । তেওঁ নিজৰ দুখৰ কথা প্ৰকাশ কৰি এদিন পত্নীৰ আগত কলে, "মোৰ একো ইচ্ছাই পূৰণ নহল । নিজৰ অসমৰ্থতাৰ কাৰণে মোৰ নিজৰে লাজ লাগে।" তেতিয়া তেওঁৰ পত্নীয়ে বুজালে, "কলা ইচ্ছা কৰিলেই শিকিব নোৱাৰি । সেই প্ৰবৃত্তি নিজৰ গাত থাকিব লাগিব। আপুনি সেই ইচ্ছা ত্যাগ কৰাই ভাল হব । কিন্তু আপুনি এটা কাম কৰিব পাৰে যাৰ দ্বাৰ আপোনাৰ নাম হব, যশ হব । আজি কালি সমাজত সেইসকল লোকৰ সন্মান বাঢ়ে যিয়ে শিল্পীসকলক সন্মান জনায় । মোৰ উপদেশ মতে আপুনি প্ৰতিমাহে এজনকৈ শিল্পীক সন্মান জনাওক । তাতে আপোনাৰো নাম হব আৰু শিল্পীজনকো সহায় কৰা হব।"

পত্নীৰ উপদেশ কাৰ্তিকৰ মনত লাগিল । প্ৰথমতে তেওঁ শিল্পী নটৰাজক লগ ধৰিলে । তেওঁ এজন প্ৰসিদ্ধ শিল্পী । কাৰ্তিকে তেওঁক নিজৰ উদ্দেশ্যৰ কথা কলে ।

কাৰ্তিকৰ উদ্দেশ্যৰ প্ৰশংসা কৰি নটৰাজে কলে, "আপোনাৰ পৰিকল্পনা মোৰ ভালেই লাগিছে । কিন্তু এই বিষয়ত মই এটা কথা কব খোজো । যেতিয়া মোক সন্মান জনোৱা হব সেই সভাত এনে লোকসকল থাকিব লাগিব যিয়ে

মোৰ গুণ গৰিমাৰ কথা জানে । তেওঁলোকেই মঞ্চত উঠি কব লাগিব মোক এই সভাত কিয় সন্মান জনোৱা হৈছে ।”

“মহাশয়, গোটেই দেশতে কলাকাৰ হিচাবে আপোনাৰ খ্যাতি আছে। এনে অৱস্থাত আনৰ প্ৰশংসাৰ কিহৰ আৱশ্যক । মই নিজেই আপোনাক সন্মান জনাম ।”

নটৰাজে এই কথাত অসন্মতি প্ৰকাশ কৰি কলে, “নৃত্য সম্পৰ্কে আপোনাৰ জ্ঞান নাই । যিয়ে মোক এই সন্মান পোৱাৰ যোগ্য বুলি নিৰ্বাচিত কৰিব তেওঁ নৃত্য বিশাৰদ হব লাগিব । শিল্পীক সন্মান জনোৱাতকৈও এই কথাটোহে অধিক মহত্বপূৰ্ণ, কোনে তেওঁক এই সন্মানৰ কাৰণে যোগ্য বুলি বিবেচনা কৰিছে । প্ৰথমতে আপুনি এনে লোকৰ পৰামৰ্শ লওক যাৰ সিদ্ধান্ত সকলো কলাপ্ৰেমীয়ে মানি লয় ।

কাৰ্তিকে নাট্য শাস্ত্ৰৰ গুৰু শঙ্কৰৰ ওচৰলৈ গৈ সকলো কথা কলে । তেতিয়া তেওঁ কলে, “কোনো সিদ্ধান্তই মই অকলে লব নোৱাৰো আৰু এইটো ন্যায়সঙ্গতো নহয় । সন্মিলিত ভাবে লোৱা সিদ্ধান্তহে আচল সিদ্ধান্ত আৰু এইটো ন্যায়সঙ্গতো । মই আৰু দুজন নাট্য শাস্ত্ৰৰ জ্ঞান থকা গুৰুৰ নাম কম । তেওঁলোকৰ লগত আলোচনা কৰি আমি সিদ্ধান্তত উপনিত হম এই বছৰৰ কাৰণে শ্ৰেষ্ঠ নৰ্তক কোন হব ।”

কাৰ্তিকে নিৰাশ হৈ কলে, “মহাশয়, মই শিল্পী নটৰাজক সন্মান জনাব বিচাৰিছো । আপুনি মাথোঁ সন্মতি জনালেই হয় । আনৰ পৰামৰ্শ আৰু কিয় লব লাগে ?”

“মই এজন নাট্য গুৰু । মই যাকেই যোগ্য বুলি কওঁ তাকে তুমি সন্মান জনাব লাগিব । তোমাৰ সিদ্ধান্ত মই কেতিয়াও মানি নলওঁ ।” শঙ্কৰে গম্ভীৰ ভাবে কলে ।

কাৰ্তিকে পত্নীৰ আগত গৈ সকলো কথা কলে । পত্নীয়ে তেতিয়া কলে, “ন্যায় সিদ্ধান্ত লোৱাৰ আৰু যদি কোনো লোক আছে, শিল্পীক নিৰ্বাচিত কৰাৰ অধিকাৰো আপোনাৰ আছে ।”

পত্নীৰ কথা কাৰ্তিকৰ মনত লাগিল । তেওঁ আকৌ সন্মান জানোৱাৰ কাৰণে শিল্পী বিচৰাত লাগিল । অৱশেষত তেওঁ এজন কবি, এজন চিত্ৰকৰ, এজন নৰ্তক আৰু এজন গায়ক পালে। তেওঁলোক আটায়ে নিজৰ নিজৰ বিদ্যাত সাধাৰণ শ্ৰেণীৰ শিল্পী ।

“আপোনাৰ সন্মানৰ দ্বাৰা আমি প্ৰতিষ্ঠা লাভ কৰিব পাৰিম ।” চাৰিওজনে কলে । কাৰ্তিকে চাৰিওজন শিল্পীকে নিজৰ ঘৰলৈ লৈ আহিল । তেওঁৰ পৰিয়ালৰ সকলোৱে শিল্পীসকলৰ সামৰ্থ সম্পৰ্কে জানিব পাৰিলে । এতিয়া তেওঁলোকক কেনেকৈ সন্মান জনোৱা হব তাৰে উপায় চিন্তা কৰিবলৈ ধৰিলে ।

কাৰ্তিকৰ পত্নীয়ে চাৰিওজন শিল্পীকে কলে, “চাওক, মোৰ স্বামীয়ে এটা কথালৈ দ্বিধা কৰিছে। আপোনালোকক সন্মান জনোৱাৰ পৰা

তেখেতৰ খ্যাতি হব বুলি ভয় হৈছে। নিজৰ নাম, যশ হোৱাতো তেখেতে নিবিচাৰে। মই এটা কথা কব খোজো, আমি মানুহৰ সম্মুখত আপোনালোকক যি সন্মান জনাব খুজিছো তাতে আপোনালোক প্ৰতিজনকে এশকৈ টকা দিয়া হব। কিন্তু কোনেও নজনাকৈ আপোনালোকক যদি গোপনে সন্মান জনোৱা হয় তেতিয়া একো একো জনক এহেজাৰ এশ টকাকৈ দিয়া হব। এতিয়া আপোনালোকেই সিদ্ধান্ত লওক কেনে ধৰণে সন্মান জনোৱা ভাল হব।"

তেওঁলোকে এহেজাৰ এশ টকা লোৱাতোকে সিদ্ধান্ত কৰি কলে, "সন্মান সন্মানেই। সেয়া খোলাখুলিকৈ হওক লাগে গোপনে হওক।"

কাৰ্তিকে তেওঁলোক চাৰিওজনকে নিৰ্দ্ধাৰিত ধন দি বিদায় দিলে। তেওঁলোকেও কাৰ্তিকক ধন্যবাদ দি গুচি গ'ল।

এই ঘটনাৰ দুসপ্তাহ পিছত এদিন ৰাতি কোনোবাই কাৰ্তিকৰ দুৱাৰত টক্‌টকাই দিলে। কাৰ্তিকে দুৱাৰ খুলি দেখে নটৰাজ থিয় হৈ আছে। তেওঁক দেখি কাৰ্তিক আচৰিত হ'ল।

নটৰাজে নিম্ন স্বৰে কাৰ্তিকক কলে, "মোৰ কলাক প্ৰশংসা কৰা লোক বহুত আছে, কিন্তু মোৰ এই কষ্টৰ দিনত সাহায্য কৰা লোক হলে এজনো নাই। এতিয়া মোৰ আৰ্থিক অৱস্থা ভাল নহয়। কষ্টত দিন কটাইছো। অপাত্ৰৰ পৰা সন্মান পালে বদনাম হব বুলি মই ভয় কৰিছিলো। কিন্তু এতিয়া জানিব পাৰিছো আপুনি শিল্পীসকলক ৰহস্যজনক ভাবে গোপনে সন্মান জনায়। যদি আপুনি মোকো গোপনে সন্মান জনায় মই সেই সন্মান গ্ৰহণ কৰিব পাৰো। কাৰণ, এহেজাৰ এশ টকা মোৰ কাৰণে বহুত ধন।"

তেতিয়া কাৰ্তিকে কলে, "আপোনাৰ কথাৰ পৰা মোৰ কৰ্তব্য জ্ঞান হৈছে। ভৱিষ্যতে নিজৰ নাম কিনাৰ কাৰণে আনক সন্মান নজনাও। দুখীয়া শিল্পীসকলক সাধ্যমতে সাহায্য কৰিম।" এইবুলি কৈ নটৰাজক তেওঁ আৱশ্যকীয় ধনৰাশি আনন্দ মনে দান কৰিলে।



ৰসিক ব্যক্তি -- তেনালীৰাম

শ্ৰীকৃষ্ণদেৱৰায় এদিন খুব চিন্তামগ্ন হৈ আছিল । মন্ত্ৰীসকলে তেওঁৰ উদাসীনতাৰ কাৰণ সোধাত ৰজাই এটা দুখুনিয়াহ কাঢ়ি কলে, "মোৰ মাতৃয়ে তেওঁৰ অন্তিম সময়ত আম খাব বিচাৰিছিল । সেইটো আমাৰ বতৰ নাছিল কাৰণে মই তেওঁৰ অন্তিম ইচ্ছা পূৰ্ণ কৰিব নোৱাৰিলো । আম খোৱাৰ ইচ্ছা পূৰ্ণ নকৰাকৈয়ে তেওঁ ইহসংসাৰ ত্যাগ কৰিলে । ইমান ডাঙৰ এজন ৰজাহৈয়ো মই মোৰ মাতৃৰ অন্তিম ইচ্ছা পূৰণ কৰিবলৈ অসমৰ্থ হলো । এই কথাটোৱে মোৰ মনত বৰ দুখ দিছে।"

"প্ৰভু, এই কথা লৈ আপুনি কিয় অনাৱশ্যক চিন্তা কৰিছে । এতিয়াও সময় আছে । সোণৰ পাঁচটা আম তৈয়াৰ কৰি আপুনি পণ্ডিতসকলক দান কৰক । এনে কৰিলে স্বৰ্গত আপোনাৰ মাতৃৰ ইচ্ছা পূৰণ হব । তেওঁৰ আত্মাই শান্তি পাব ।" পণ্ডিতসকলে উপায় দিলে ।

তেওঁলোকৰ কথাই ৰজাৰ মনত শান্তি আনি দিলে । পণ্ডিতসকলৰ উপদেশ তেওঁৰ মনত সঁচা বুলি বিবেচিত হ'ল । ইয়াৰ কাৰণে পণ্ডিতসকলে এটা শুভ দিনো চাই দিলে । সেই শুভ দিনতে ৰজাই পাঁচজন পণ্ডিতক পাঁচটা সোণৰ আম দান কৰিলে । পণ্ডিতসকলে সেই দান গ্ৰহণ কৰি ৰজাক আশীৰ্বাদ দিলে ।

ওচৰতে থিয় হৈ তেনালীৰামে সেই কাৰ্য্য চাই আছিল । তেওঁ মনে মনে থাকিব নোৱাৰি পণ্ডিতসকলক কলে, "মোৰ মাৰো এক ইচ্ছা আছিল, কিন্তু সেই ইচ্ছা পূৰণ নহল । ইয়াৰ আগতে তেওঁ স্বৰ্গগামী হ'ল । অহা অমাবস্যাত যদি আপোনালোক আমাৰ ঘৰলৈ যায় মইয়ো আপোনালোকক দান দি মোৰ কৰ্তব্য পালন কৰিব খোজো।"

অমাবস্যাৰ দিনা পণ্ডিতসকল তেনালীৰামৰ ঘৰলৈ গ'ল। তেনালীৰামে মাকৰ প্ৰতি শ্ৰদ্ধাজনাই তৰ্পণ কৰিলে, তাৰপিছত পণ্ডিতসকলক এজন এজনকৈ ভিতৰলৈ আহিবলৈ কলে । তেওঁ কোৱা অনুসাৰে পণ্ডিতসকল এজন এজন কৈ ভিতৰলৈ গৈ উভতি অহাৰ সময়ত এখন হাত কাপোৰেৰে লুকাই লৈ আহিছিল । তেওঁলোকৰ মুখবোৰ গম্ভীৰ আছিল ।

পণ্ডিতসকল পোনে পোনে ৰজাৰ ওচৰলৈ গ'ল । তেওঁলোকে তেনালীৰামৰ বিৰুদ্ধে আপত্তি দৰ্শাই ৰজাক নিজৰ পোৰা হাত দেখুৱালে আৰু লগতে ইয়াকো অনুৰোধ কৰিলে ৰজাই যেন এই অপৰাধৰ কাৰণে তেনালীক কঠোৰ শাস্তি দিয়ে ।

ৰজাই তেনালীক মাতি পঠালে । তেওঁক দেখিয়েই ৰজাই খং ভাবে সুধিলে, "পণ্ডিতসকলক দান দিম বুলি আপোনাৰ ঘৰলৈ নিমন্ত্ৰণ কৰিছিল । তেওঁলোককতো দান নিদিলেই ওলোটাই তেওঁলোকৰ হাতবোৰ জ্বলা কাঠখৰিৰে পুৰিলে । আপুনি এইটো কিয় কৰিলে ?"



"মহাৰাজ, ক্ষমা কৰিব । মোৰ মাৰ গাত খজুৱতী হৈ গোটেই গাটোত পোৰণি উঠিছিল । 'পোৰণি' 'পোৰণি' বুলি কৈয়ে মোৰ মা মৰি গ'ল । তেওঁৰ ইচ্ছা পূৰণ কৰিব নোৱাৰিলো, কিন্তু আজি পণ্ডিতসকলৰ দ্বাৰা সেই ইচ্ছা পূৰণ কৰিলো । আপুনি দান দিয়া সোণৰ আমে যদি স্বৰ্গগত আপোনাৰ মাতৃৰ ইচ্ছা পূৰণ কৰিব পাৰে পোৰণিত পুৰি মৰা মোৰ মাৰ ইচ্ছা কিয় পূৰণ নহব ? তেওঁৰ আত্মাই চাগৈ এতিয়াহে শান্তি পাইছে ।" তেনালীৰামে কলে ।

সঠিক উত্তৰ বাছি উলিয়া

এই মাহৰ পৰা আমাৰ নিয়মিত প্ৰশ্নাৱলীৰ আৰ্হিৰ পৰিবৰ্তন হৈছে । ইয়াৰ উত্তৰবোৰ এখন কাগজত লিখি ৰাখিবা আৰু অহা সংখ্যাত উত্তৰ প্ৰকাশ হ'লে সেই উত্তৰৰে সৈতে মিলাই চাবা ।

১. তলত উল্লেখ কৰা নদীবোৰৰ ভিতৰত এটা নদীৰ সলেৰী, প্ৰনাহিতা আৰু ইন্দ্ৰৱতী নামৰ উপনদী কেইটা আছে । কোনটো নদীৰ ?

ক) কৃষ্ণা খ) গোদাবৰী গ) কাৱেৰী ঘ) সবৰমতী

২. পঞ্জাব আৰু হাৰিয়ানা উভয় ৰাজ্যৰে এখনেই ৰাজধানী । চাণ্ডিগড়ৰ আগতে পঞ্জাবৰ ৰাজধানী কি আছিল ?

ক) জলন্ধৰ খ) লুধিয়ানা গ) অমৃতসৰ ঘ) চিমলা

৩. স্বাধীনতাৰ আগতে বৃটিছ চৰকাৰৰ দিনত কোনখন ঠাই গ্ৰীষ্মকালৰ ৰাজধানী আছিল ।

ক) শ্ৰীনগৰ খ) চিমলা গ) ডেৰাডুন ঘ) ডেলহাউচি

৪. ভাৰতৰ জাতীয় গছ কি ?

ক) নীম খ) আম গ) বোধি ঘ) বট

৫. বাঁহ কোন বিধ উদ্ভিদৰ ভিতৰত পৰে ?

ক) গছ খ) লতা গ) পৰ্ণাঙ্গ উদ্ভিদ ঘ) ঘাঁহ

৬. কাপোৰত হাতেৰে ছাপমৰা প্ৰণালীক তুমি কি কবা ?

ক) কাপোৰ বোৱাৰ পদ্ধতি খ) ক্ষুদ্ৰাকাৰ চিত্ৰ

গ) ৰং কৰা পদ্ধতি ঘ) ভাস্কৰ্য্যবিদ্যাৰ আৰ্হি

৭. বাঙ্গালোৰ যদি ভাৰতৰ চিলিকন ভেলি হয়, ভাৰতৰ ষ্টীল চিটি কোনখন ?

ক) চালেম খ) ৰুৰকেলা গ) জামচেদপুৰ ঘ) ভিলাই

(উত্তৰ অহা সংখ্যাত)

জুন সংখ্যাৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. আৰাৱলী
২. কাৱেৰী
৩. মহানদী
৪. কেৰেলা
৫. গেটে
৬. ভেম্বানদ
৭. মহাবালেশ্বৰ
৮. সৰস্বতী
৯. নৱাল সাগৰ
১০. বুণ্ডেলচ



পিতা পুত্ৰৰ কাহিনী

বহুদিন আগৰ কথা । এখন নগৰত সোমনাথ নামৰ এজন সৎ আৰু অৱস্থাপন্ন লোকে বাস কৰিছিল । বহুত প্ৰতীক্ষাৰ পিছত তেওঁৰ এজন পুত্ৰ সন্তান হৈছিল । সেয়েহে মাক দেউতাকে তাক অত্যন্ত মৰম কৰিছিল। অতি মৰম পোৱা কাৰণেই নেকি তাৰ বুদ্ধিৰ বিকাশ হোৱা নাছিল । সি ক্ৰমে অহঙ্কাৰী হৈ উঠিছিল ।

ল'ৰাৰ লাহে লাহে বিয়া কৰোৱাৰ বয়স হ'ল। সেয়েহে সোমনাথে সিদ্ধান্ত কৰিলে ল'ৰাক সঠিক পথলৈ অনাত আৰু পলম কৰা উচিত নহব।

এদিন সোমনাথে পুতেকক কলে, "বাচা, তুমি এতিয়া ডাঙৰ হৈছা । এজনী ভাল ছোৱালী চাই তোমাৰ বিয়াখন পতাৰ মোৰ ইচ্ছা । এতিয়া আৰু পলম কৰিব নোৱাৰি । তোমাক মই এটা নতুন কথা কওঁ । কোদণ্ডপাণি আৰু বলৰাম নামৰ মোৰ দুজন ভাল বন্ধু আছে । আজি বহুদিন তেওঁলোকৰ সৈতে অহা যোৱা বন্ধ হৈছে যদিও তেওঁলোকৰ খবৰ-বাতৰি মই লৈ থাকো । তেওঁলোক দুয়োৰে অৱস্থা এসময়ত ভালেই আছিল । কিন্তু এতিয়া তেওঁলোকৰ অৱস্থা ভাল নহয়। তেওঁলোকে সকলো সম্পত্তি হেৰুৱাইছে। তেওঁলোক দুয়োৰে দুজনী ছোৱালী আছে । ছোৱালী দুজনী গাভৰু হৈছে । সেই ছোৱালী দুজনীৰ যিজনীকে তোমাৰ ভাল লাগে বিয়া কৰাব লাগিব । মই তেওঁলোকক কথাও দিছো। আমি দুয়ো গৈ ছোৱালী দুজনী চাই আহিম । যিজনীকে তোমাৰ ভাল লাগে, তাইৰ সৈতে তোমাৰ বিয়াৰ ঠিক কৰিম । মোৰ কথা ৰখাতো তোমাৰ কৰ্ত্তব্য ।"

কিন্তু পুতেকে দেউতাকৰ কথা মানিবলৈ অস্বীকাৰ কৰি কলে, "আপুনি বহুদিন আগতে যি কথা দিছিল সেইটো যে পালন কৰিব লাগিব

কপিল শিখা

তাৰ কোনো আৱশ্যকতা নাই। এনে অপৰিচিত ব্যক্তিৰ সৈতে আমি সম্পৰ্ক কৰিব নোৱাৰো। আমি তেওঁলোকক দেখা কৰিবলৈ নোযোৱাতোৱে উচিত হব বুলি ভাবো।"

পুতেকৰ কথা শুনি মনত দুখ পাই সোমনাথে কলে, "বাচা, তুমি এয়া কি কথা কৈছা? এনে কৰিলে মানুহে ইয়াকে নকবনে যে মই কথা দি কথা নাৰাখিলো। তেতিয়া মোৰ গাত এই কলঙ্ক লাগিব আৰু মই তেওঁলোকক মুখ দেখুৱাৱে লায়ক নহম।"

অৱশেষত সামনাথৰ পুতেকে দেউতাকৰ কথা মানিব লগা হ'ল আৰু উপায়হীন হৈ ছোৱালী চাবলৈ যাওঁ বুলি কলে।

পিছদিনা ৰাতিপুৱা তেওঁলোকে ঘোঁৰাৰ গাড়ীত উঠি যাত্ৰা কৰিলে। প্ৰথমতে তেওঁলোক কোদণ্ডপাণি থকা ঠাই চক্ৰধৰপুৰলৈ গ'ল। চক্ৰধৰপুৰ গৈ পাওঁতে তেওঁলোকৰ বেলা দুপৰ হৈছিল। ৰ'দো বৰ চোকা আছিল। তেওঁলোকে এটা সাধাৰণ ঘৰৰ সন্মুখত গাড়ীৰ পৰা নামিল। সোমনাথে আগবাঢ়ি গৈ ঘৰৰ মালিকক সুধিলে, "ৰামাৱতাৰ কোদণ্ডপাণিৰ ঘৰ কোনটো কব নেকি বাৰু?"

ঘৰৰ গিৰিহঁতে সোমনাথৰ সাজ-পোচাকৰ পৰাই বুজিব পাৰিলে যে তেওঁ অৱস্থাপন্ন লোক। তেওঁ নম্ৰভাৱে সুধিলে, "আপুনি কোঁদণ্ডপাণিক লগ কৰিবলৈ আহিছে নেকি? তাৰ পাছত আৰু কিবা সুধিবলৈ গৈ ৰৈ গ'ল।

সোমনাথে সেইটো বুজিব পাৰি কলে, "তেওঁৰ সৈতে সম্বন্ধ পাতিবলৈ আহিছো। গাড়ীত যে বহি আছে সেইজন মোৰ একমাত্ৰ পুত্ৰ। তাৰ বাবেই ছোৱালী চাবলৈ আহিছো।"

এইকথা শুনিয়ে ঘৰৰ গিৰিহঁতে আনন্দ প্ৰকাশ কৰি কলে, "তাৰমানে আপুনি কোদণ্ডপাণিৰ জীয়েকক চাবলৈ আহিছে? আহক, ভিতৰলৈ আহক।" এই বুলি বাপেক পুতেকক ঘৰৰ ভিতৰলৈ লৈ গৈ চকীত বহিবলৈ দিলে। তাৰ পাছত নেমুৰ চৰবত আনি তেওঁলোকক খাবলৈ দি কলে, "খাওঁক, খুব ৰ,দত আহিছে, নেমুৰ চৰবত খাই ভাগৰ দূৰ কৰক।"

এনেতে ঘৰৰ গিৰিহঁতৰ বুঢ়ীমাক আহি সোমানাথক নমস্কাৰ জনাই কলে, "মই এটা কথা জানিবলৈ খুব ইচ্ছুক হৈ আছো, কোদণ্ডপাণিৰ কন্যা লক্ষ্মীৰ সৈতে বিবাহৰ সম্পৰ্ক কৰিব খোজা সেই ভাগ্যবানজননো কোন?" লক্ষ্মী সঁচাগ্যকয়ে লক্ষ্মীস্বৰূপা। এনেকুৱা সৎ গুণৰ ছোৱালী খুব কমহে দেখা যায়। যাক কব পাৰি গুণৰ সাগৰ। এই ছোৱালী যদি আপোনাৰ ঘৰত প্ৰৱেশ কৰে, জানি লব

আপোনাৰ ঘৰত সঁচাকৈয়ে লক্ষ্মীয়ে বাস কৰিবলৈ আহিছে।"

সোমনাথে পুতেকৰ মুখৰ ফালে এবাৰ চালে। তেওঁ এইটো চাব বিচাৰিছিল পুতেকৰ ওপৰত বুঢ়ীৰ কথাৰ কি প্ৰভাৱ পৰিছে। এইদৰে কথা বতৰা কৈ থাকো আধা ঘন্টা সময় পাৰ হ'ল। তাৰপাছত ঘৰৰ গিৰিহঁত আৰু বুঢ়ীমাকে কলে, "কোদণ্ডপাণিৰ ভাবী বিয়ৈ আমাৰো আত্মীয় হব। আপোনালোকে ইয়াতে দুপৰীয়াৰ আহাৰ কৰিব লাগিব।" তাতে তেওঁলোকে দুপৰীয়াৰ আহাৰ কৰিলে।

গাঁৱৰ মানুহে যেতিয়া জানিব পাৰিলে কোদণ্ডপাণিৰ ছোৱালীজনী চাবলৈ আহিছে, তেতিয়া সকলোৱে তেওঁলোকক দেখা কৰিবলৈ গ'ল। তেওঁলোকে সোমনাথ আৰু তেওঁৰ পুত্ৰক কোদণ্ডপাণিৰ ঘৰলৈ আদৰ সাদৰকৈ লৈ গ'ল।

কোদণ্ডপাণিৰ ঘৰটো সৰু, কিন্তু খুব চাফ-চিকুন। বহুদিনৰ মূৰত বন্ধুৰ সৈতে দেখা হৈ কোদণ্ডপাণিৰ মণত আনন্দ লাগিল। কিন্তু এই কথা জানি তেওঁৰ মণত দুখো লাগিল যে তেওঁৰ ঘৰলৈ অহা অতিথিক গাঁৱৰ মানুহেহে সোধপোচ কৰিলে। তেওঁক ইয়াৰ সুযোগেই নিদিলে। লক্ষ্মীক দেখি আৰু তেওঁৰ লগত কথা হৈ তেওঁলোকে জানিব পাৰিলে লক্ষ্মী সঁচাকৈয়ে ধুনীয়া আৰু জ্ঞানী।

সোমনাথ তাতে এঘন্টা সময় থাকি তাৰ পৰা পুতেকৰে সৈতে অনন্তবৰলৈ গ'ল য'ত তেওঁৰ অন্য এক বন্ধু বলৰাম থাকে। সেই গাওঁ গৈ পাওঁতে ৰাতি হৈছিল। যেনেদৰে তেওঁ গাঁৱৰ মানুহক সুধি কোদণ্ডপাণিৰ ঘৰ উলিয়াইছিল সেইদৰে বলৰামৰ ঘৰ বিচাৰি উলিয়াবলৈও যত্ন কৰিলে।

বলৰামৰ নাম শুনিয়েই গাঁৱৰে এজন মানুহে খংভাবে কলে, "বলৰামৰ ঘৰৰ কথা সুধিছে ? সেই ইন্দ্রভৱনত সোমালেই আপুনি বহুত গালি শুনিব লাগিব । তেওঁৰ লগত আপোনাৰ কি কাম আছে মই জানিব পাৰোনে ?" তেওঁৰ স্বৰত ব্যঙ্গ ভাব প্ৰকাশ পাইছিল । তাৰপাছত সোমনাথৰ উত্তৰ শুনিয়েই মানুহজনে কলে, "আপুনি কি কয়, বলৰামৰ লগত মিতিৰ পাতিবলৈ আহিছে ? তেওঁৰ বিয়ৈ হব খুজিছে ? যাওঁক, যাওঁক, আপোনাক ভাল আদৰ-সন্মান কৰিব ।" এইবুলি কৈ মানুহজন গুচি গ'ল।

সোমনাথে আৰু দুই তিনিজনমানক বলৰামৰ ঘৰৰ কথা সুধিলে । কিন্তু কোনেও সঠিক উত্তৰ নিদিলে । কোনেও বলৰামৰ ঘৰৰ ঠিকনা সম্পৰ্কে নকলেতো নকলেই ওলোটাই তেওঁৰ বিষয়ে কটু মন্তব্যহে কৰিলে ।

অৱশেষত সোমনাথে গাড়ীৰ ভিতৰতে বহিল গৈ আৰু পুতেকক কলে, "কোদণ্ডপাণিৰ স্বভাৱ শান্ত আৰু ব্যৱহাৰ নম্ৰ । গাৱঁৰ মানুহৰ লগত অতি ভাল সম্পৰ্ক আছে । তেওঁৰ ব্যৱহাৰৰ কাৰণে মানুহে তেওঁক আদৰ-সন্মান কৰে । তেওঁৰ আৰ্থিক অৱস্থা স্বচ্ছল নোহোৱা স্বত্বেও মানুহে তেওঁক গণ্য কৰে । গাঁৱৰ মানুহে বিচাৰে তোমাৰ বিবাহ তেওঁৰ ছোৱালীৰ সৈতে হওক । লক্ষ্মীয়ো তেওঁৰ পিতৃৰ দৰে সৌম্য আৰু সদগুণ সম্পন্না । আনহতে বলৰাম অহঙ্কাৰী । ধনৰ গৰ্বত মানুহৰ সৈতে দুৰ্ব্যৱহাৰ কৰে । তেওঁ কাকো কেতিয়াও সহায় কৰি পোৱা নাই । এতিয়া তেওঁৰ আৰ্থিক অৱস্থা পৰি আহিছে । আগতে তেওঁ মানুহৰ সৈতে ভাল সম্পৰ্ক ৰখাহেতেন মানুহেও তেওঁক এতিয়া সহায় কৰিলেহেতেন। চোৱাচোন, গাঁৱৰ কোনো মানুহে আনকি তেওঁৰ ঘৰটো দেখুৱাই দিবলৈকো ইচ্ছা প্ৰকাশ কৰা নাই ।" তথাপি তেওঁ জানিবলৈ চেষ্টা কৰিলে তেওঁৰ ঘৰটোনো ক'ত ?

এই কথাবোৰ শুনি সোমনাথৰ পুতেক চিন্তাত পৰিল । তাৰ পাছত তেওঁ দেউতাকক কলে, "দেউতা ! আমি আৰু বলৰামৰ ঘৰলৈ যোৱাৰ আৱশ্যক নাই । মোৰ কোদণ্ডপাণিৰ ছোৱালীজনীকে পছন্দ হৈছে । যদি আপুনি ইচ্ছা কৰে আকৌ কেতিয়াবা এই গাঁৱলৈ আহিব আৰু আপোনাৰ বন্ধুৰ সৈতে দেখা কৰিব । এতিয়া আৰু তেওঁৰ সৈতে দেখা নকৰো ।"

বলৰামৰ পুত্ৰৰ কথাত নম্ৰ ভাব আছিল । তেওঁ যেন এতিয়াহে বুজিব পাৰিছে ভাল কি আৰু বেয়া কি । পুতেকৰ মনৰ পৰিবৰ্তন দেখি সোমনাথৰ মনত আনন্দ লাগিল । নিজৰ চেষ্টাৰ সফলতাত সন্তুষ্ট হৈ সোমনাথে পুতেকক কলে, "ঠিক আছে, তোমাৰ যি ইচ্ছা তাকে কৰো ।" তাৰপাছত তেওঁলোক নিজ ঘৰলৈ উলতি গ'ল।

সেই জিলমিলনিবোৰ....

প্ৰাচীন কালৰ ভাৰতৰ ৰজা আৰু ৰাণীসকলক কিহে জক্‌মকাই তুলিছিল বুলি তুমি ভাবা ? এইটো তেওঁলোকৰ ৰসিকতা বা বুদ্ধিদীপ্ততা নাছিল । তেওঁলোকৰ ভিতৰত বহুতে নিৰ্বোধ আছিল আৰু বাকীবোৰ আছিল সামান্য মানুহ । আচলতে তেওঁলোকে পিন্ধা অলঙ্কাৰে তেওঁলোকক জক্‌মকাই তুলিছিল ।

ইয়াৰ কাৰণে তেওঁলোক চানক্য নামৰ বুধিয়ক ব্যক্তি এজনৰ ওচৰত ঋণী, যিয়ে খৃঃপূঃ ৩য় শতিকাত শাসন প্ৰণালী সম্পৰ্কীয় গ্ৰন্থ "অৰ্থশাস্ত্ৰ" খন লিখিছিল । তেওঁ তাত লিখিছিল, প্ৰতিজন ৰজাই তেওঁৰ ৰাজ্যৰ খনিজ সম্পদ সম্পৰ্কে সতৰ্ক থকা উচিত আৰু খনিৰ উৎপাদন নিয়ন্ত্ৰণত ৰাখিব লাগে । অনুমান হয় তেওঁৰ এই কথাটো ৰজাসকলে আন্তৰিকতাৰে গ্ৰহণ কৰিছিল । তেওঁলোকৰ ৰাজ্যত থকা অতি উৎকৃষ্ট ৰত্ন, খনিজ বস্তু আৰু ধাতুবোৰ যাতে তেওঁলোকৰ ৰাজভঁৰাললৈ যায় সেইটো ৰজাসকলে নিশ্চিত কৰি লৈছিল ।

অসমৰ সত্ৰীয়া নৃত্য

নৃত্যৰ কথা কলেই যিবোৰ নৃত্যৰ নাম প্ৰথমতে মনলৈ আহে সেইবোৰ হ'ল -- ভাৰতনাট্যম, ওডিচি, কুচিপুড়ি আৰু কথাকলি । ইয়াত আৰু এটা নৃত্যৰ কথা কোৱা হৈছে, সেয়া হ'ল সত্ৰীয়া নৃত্য । এইটো অসমত প্ৰচলিত এক নৃত্যশৈলী । এই নৃত্যশৈলী উদ্ভাবন কৰিছিল ১৫ শ শতিকাৰ অসমৰ এজন প্ৰসিদ্ধ বৈষ্ণৱ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে । সত্ৰীয়া নৃত্য প্ৰথমতে পুৰুষসকলে পৰিবেশন কৰিছিল, পিছলৈ মহিলাইও এই নৃত্যত অংশ গ্ৰহণ কৰে । কথাকলিৰ নিচিনা এই নৃত্যশৈলীও নৃত্য নাটিকাৰ আৰ্হিৰ । ইয়াক কোনো দৃশ্যত বিভক্ত কৰা নহয়, ইয়াৰ আঁত ধৰে এজন সূত্ৰধাৰে ।

ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যবোৰৰ দুৱাৰমুখ বুলি খ্যাত অসমখনক সাধাৰণতে ৰঙা নদী নীলা পৰ্বতৰ দেশ বুলি জনা যায়। ৰঙা নদীয়ে ব্ৰহ্মপুত্ৰ নদীকে বুজাইছে, কাৰণ বাৰিষা কালত ৰঙামাটিৰ পৰ্বতৰ পৰা বৈ অহা পানীৰে ব্ৰহ্মপুত্ৰৰ পানী ৰঙচুৱা হয়, আৰু নীলা পৰ্বত হ'ল ৰাজ্যখনৰ চাৰিওফালে আগুৰি থকা গছ-গছনিৰে ভৰা পৰ্বতবোৰ।

অসমৰ উত্তৰে অৰুণাচল প্ৰদেশ আৰু ভূটান, পূবে নাগালেণ্ড, মণিপুৰ আৰু ব্ৰহ্মদেশ, দক্ষিণে ত্ৰিপুৰা, মিজোৰাম, বাংলাদেশ আৰু মেঘালয় আৰু পশ্চিমে পশ্চিমবঙ্গ।

অসম নামটো সংস্কৃত শব্দ 'অসম' শব্দৰ পৰাই আহিছে বুলি কোৱা হয়, যাৰ অৰ্থ অসমান। পৰ্বত, সমভূমি আৰু নদীৰে পৰিপূৰ্ণ এই ৰাজ্যৰ অসমান উপৰিভাগৰ কাৰণে এই ৰাজ্যৰ নাম অসম হৈছে। অন্য এক বিৱৰণ মতে আহোমৰ লগত মিল থকা 'অসম' শব্দৰ পৰাই অসম শব্দৰ উৎপত্তি। এই আহোমসকলে ছয়শ বছৰ অসমত ৰাজত্ব কৰিছিল।

অসম ৰাজ্যখনৰ আয়তন ৭৮৫২৩ বৰ্গ কিলোমিটাৰ আৰু ইয়াৰ জনসংখ্যা ২৬,৬৩৮,৪০৭ জন। অসমৰ ৰাজধানী দিছপুৰ। এই ৰাজ্যৰ কাৰ্য্যালয়ৰ ভাষা অসমীয়া আৰু বঙালী।

তেজিমলা

ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ ধুনীয়া এখন গাঁৱত ভৃগু নামৰ সদাগৰ এজনে বাস কৰিছিল। সেই সদাগৰৰ তেজিমলা নামৰ এজনী ৰূপৱতী কন্যা আছিল। তেজিমলা সৰু থাকোতেই তাইৰ মাকৰ মৃত্যু হৈছিল। তাইৰ দেউতাকে দ্বিতীয়বাৰ আকৌ বিবাহ কৰাইছিল। তেজিমলাৰ মাহীমাক কাঞ্চন এজনী নিষ্ঠুৰ তিৰোতা আছিল। মাহীমাকে তেজিমলাক অতি নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল।

তেজিমলা এজনী খুব ভাল ছোৱালী আছিল। তাই মাহীমাকৰ কথা মানি চলিছিল আৰু তাইক কৰিবলৈ দিয়া সকলো কাম-বন তাই সুচাৰুৰূপে কৰিছিল। তাই ঘৰ মচিছিল, সাজ-বাচন

পৰিষ্কাৰ কৰিছিল, কাপোৰ ধুইছিল, নদীৰ পৰা পানী আনিছিল আৰু অন্যান্য ধৰুৱা কাম-বন কৰিছিল । তথাপিতো তাইৰ মাহীমাকে তাইৰ কামত খুট উটিয়াই প্ৰায়ে তাইক নিষ্ঠুৰভাবে মাৰিছিল ।

ভৃগু যিহেতু এজন সদাগৰ আছিল সেয়েহে বেহা-বেপাৰৰ কামত তেওঁ দীৰ্ঘ দিনৰ কাৰণে প্ৰায়ে বাহিৰলৈ গৈছিল । দেউতাকৰ অনুপস্থিতিত তেজিমলাই মাহীমাকৰ সৈতে থাকিব লাগিছিল । সেই সময়ত তেজিমলাৰ ওপৰত মাহীমাকৰ অত্যাচাৰ আৰু বাঢ়ি গৈছিল। মাহীমাকৰ অত্যাচাৰত তেজিমলাৰ জীৱন দুৰ্বিসহ হৈ পৰিছিল । ঘৰুৱা সকলো কাম-বন তেজিমলাই কৰিব লাগিছিল ।

ইমান কাম-বন কৰিও তেজিমলাই সুখেৰে থাকিব নোৱাৰিছিল । অনবৰতে মাহীমাকৰ কেতেৰা-জেঙেৰা মাত হে পাইছিল । মাহীমাকে তাইক ভালদৰে খবলৈও নিদিছিল । সিহঁতে খাই

এৰা পেলোৱাখিনিহে তাইক খাবলৈ দিছিল ।

কঠোৰপৰিশ্ৰম কৰাৰ কাৰণে তাইৰ পিন্ধা কাপোৰ সোনকালেই ফালি-চিৰি গৈছিল আৰু

চাহ বাগিছা

অসমৰ কথা ভাবিলেই আমাৰ মনলৈ আহে চাহৰ কথা । অসম বিশ্বৰ অন্যতম বৃহৎ চাহ উৎপাদনকাৰী ৰাজ্য । ভাৰতত উৎপাদিত চাহৰ ৫০% তকৈও অধিক চাহ উৎপাদন অকল অসমতে হয় ।

বিশ্বৰ প্ৰথম চাহ কোম্পানী অসমতে গঠন হৈছিল বুলি কোৱা হয় । সেইয়া আছিল ‘দি আসাম কোম্পানী, এইটো গঠন হৈছিল ১৮৯৩ চনৰ ১২ ফেব্ৰুৱাৰীত । বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ককাক দ্বাৰকানাথ ঠাকুৰ ইয়াৰ অন্যতম ডাইৰেক্টৰ আছিল । ফ্লেভাৰ আৰু ৰঙৰ কাৰণে অসমৰ চাহ অতি বিখ্যাত।

বৰ্ত্তমান ব্ৰহ্মপুত্ৰ উপত্যকাত ২৩০,০০০ হেক্টৰতকৈও অধিক ঠাই আগুৰি চাহ বাগিছা আছে । গুৱাহাটীতো টবিশ্বৰ বৃহত্তম চাহ নীলাম কেন্দ্ৰ আছে ।

দেউতাক বাণিজ্যৰ পৰা ঘূৰি নহালৈকে তাই ফটা কাপোৰ পিন্ধিয়েই থাকিব লাগিছিল । ভৃগু সদাগৰ বাণিজ্য কৰি ঘূৰি অহাৰ খবৰ পালেই মাহীমাকে তেজিমলাৰ কাৰণে দেউতাক অহাৰ আগে আগে নতুন কাপোৰ কিনি আনিছিল ।

মাহীমাকে তাইক হকে বিহকে যেতিয়াই ইচ্ছা মাৰিছিল । কিন্তু তেজিমলাই সকলো অত্যাচাৰ নীৰৱে সহ্য কৰি গৈছিল । তাই মাহীমাকৰ বিৰুদ্ধে এষাৰো কথা কাৰো আগত নকৈছিল ।

এইদৰে সময়বোৰ পাৰ হৈ গৈছিল । তেজিমলা লাহে লাহে গাভৰু হৈ আহিছিল । দেউতাকে তাইক বিয়া দিয়াৰ কথা চিন্তা কৰিবলৈ ধৰিলে । সেই উদ্দেশ্যে দেউতাকে তাইৰ বাবে ধুনীয়া এজন দৰা বিচৰাত লাগি গ'ল । সদাগৰৰ সিদ্ধান্তৰ কথা শুনি কাঞ্চন গৈ ৰোহঁঘৰত পৰিল । তাই ভাবিলে তেজিমলাক যদি বিয়া দি উলিয়াই দিয়া হয় তেনেহলে কোনে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰিব, কোনে পানী আনিব, ধান বানিব আৰু ঘৰৰ কাপোৰ-কানি ধুব ? কিন্তু তাই মনে মনে থাকিল । কাঞ্চনে জানিছিল তাইৰ গিৰিহঁতে জীয়েকক খুব মৰম কৰে । যদি ভৃগুৱে জানিব পাৰে যে কাঞ্চনে তেজিমলাক চাকৰণী হিচাবে ঘৰতে ৰাখিব বিচাৰিছে তেতিয়া সদাগৰে কাঞ্চনকহে শাস্তি দিব ।

ভৃগুৱে তেজিমলাৰ কাৰণে দৰা বিচাৰি বহু ঠাইলৈ গৈছিল । অৱশেষত তেওঁ এজন ধুনীয়া আৰু বুদ্ধিমান ল'ৰা বিচাৰি পাইছিল । তেওঁ ল'ৰাজনৰ মাক দেউতাকৰ আগত ল'ৰাজনৰ সৈতে তেজিমলাৰ বিয়াৰ প্ৰস্তাৱ আগবঢ়োৱাত তেওঁলোকে আনন্দ মনে সেই প্ৰস্তাৱ গ্ৰহণ কৰিছিল । ভৃগুৱে ঘূৰি আহি পত্নীৰ আগত যেতিয়া এই কথাটো কৈছিল তেতিয়া তেওঁৰ পত্নী ঈৰ্ষাপৰায়ণ হৈ উঠিছিল । তাই মনতে ভাবিছিল,

হস্তশিল্প

অসমত বয়ন শিল্প জীৱন ধাৰণৰ এক উপায়। ইয়াত প্ৰধানকৈ কপাহী, মুগা, পাট আৰু এৰী সূতাৰ কাপোৰ বোৱা হয় । মুগা সূতাৰ কাপোৰ দেখিবলৈ সোণালী ৰঙৰ হয় আৰু প্ৰতিবাৰ ধোৱাৰ পিছত দেখিবলৈ আৰু উজ্জ্বল হয় । এৰী সূতাৰে গৰম কাপোৰ বোৱা হয় ।

বাঁহ বেতৰ কামৰ কাৰণে অসম অতি বিখ্যাত । ঘৰত ব্যৱহাৰ কৰা প্ৰায়বোৰ বস্তুৰে বাঁহেৰে তৈয়াৰ কৰা হয় । সেইবোৰৰ ভিতৰত অন্যতম হ'ল কুলা, চালনী, খৰাহী, ডলা ইত্যাদি। অসমৰ কৃষকসকলে পথাৰত কাম কৰাৰ সময়ত মূৰত জাপি লয় । সেইটোও বাঁহ আৰু টকৌপাতেৰে তৈয়াৰ কৰে ।



‘তেজিমলাই বিয়া হৈ ৰাজৰাণীৰ দৰে থাকিব আৰু মই পানী অনা, ধান বনা, বাচন ধোৱা, কাপোৰ ধোৱা আদি কাম কৰি থাকিম।’

সদাগৰে ভাবী জোঁৱায়েকক লৈ এক পৰিকল্পনা কৰিছিল। তেওঁ ভাবিছিল, এই ধুনীয়া আৰু বুদ্ধিমান যুৱকজনেই এদিন তেজিমলাৰ জীৱন সঙ্গী হ'ব। যদি এওঁক বেহা-বেপাৰ সম্পৰ্কীয় উপযুক্ত শিক্ষা দিব পৰা যায় তেতিয়া তেওঁলোকে ভৱিষ্যতে সুখেৰে জীৱন কটাব পাৰিব।’ সেয়েহে বিবাহৰ আগতে সদাগৰে যুৱকজনক নিজৰ লগতে বাণিজ্য কৰিবলৈ দূৰ দেশলৈ লৈ গৈছিল। তেওঁলোকে বহু দেশৰ ডাঙৰ ডাঙৰ চহৰবোৰলৈ গৈ বাণিজ্য কৰিছিল।

ইফালে তেজিমলাৰ মাহীমাকে তেজিমলাৰ ভৱিষ্যতৰ এক সুখৰ সংসাৰৰ কথা ভাবি ঈৰ্ষাতে জ্বলিপুৰি মৰিছিল। তেজিমলাৰ সুখ হোৱাটো মাহীমাকে সমূলি সহ্য কৰিব পৰা নাছিল। সেয়েহে ইয়াৰ এক ব্যৱস্থা কৰাৰ সিদ্ধান্ত কৰিছিল।

এদিনাখন মাহীমাক কাঞ্চনে তেজিমলাক ধানবানিবলৈ ঢেঁকীশাললৈ মাতি লৈ গৈছিল। মাহীমাকে ঢেঁকী দিছিল আৰু তেজিমলাক ধানবোৰ পোখলিত আগবঢ়াই দিবলৈ কৈছিল। এইদৰে ধানবানি থাকোতে নিষ্ঠুৰ মাহীমাকে প্ৰথমতে তেজিমলাৰ হাত দুখন খুন্দিছিল তাৰ পাছত ভৰিদুখন খুন্দিছিল আৰু শেষত মূৰটোৰে ধানবোৰ আগবঢ়াই দিবলৈ কৈছিল। তেজিমলাই মূৰেৰে ধানবোৰ আগবঢ়াই দিবলৈ যাওঁতে মাহীমাকে তেজিমলাৰ মূৰটো খুন্দি মাৰি পেলাইছিল।

এচিয়াৰ প্ৰথম তেলশোধানাগাৰ

এচিয়াৰ প্ৰথম তেলশোধানাগাৰটো উজনি অসমৰ ডিগবৈ স্থাপন কৰা হৈছিল। আমৰ দেশৰতেল আৰু পেট্ৰোলিয়াম শিল্পৰ এইটোৱে আছিল প্ৰথম আধাৰ শিলা। কৰ্ণেল ড্ৰেকে পেনলি ভেনিয়াত তেল আবিষ্কাৰ কৰাৰ ৮ বছৰ পিছতে ১৮৬৭ চনত ইয়াতে প্ৰথম অশোধিত তেল ওলাইছিল।

এইটো এটা মজাৰ কথা যে এটা হাতীয়েহে ডিগবৈত তেল আবিষ্কাৰ কৰিছিল। এইটো কোৱা হয় যে ডিব্ৰু-শদিয়া ৰেল লাইনৰ কামত এটা হাতীক কামত লগোৱা হৈছিল। সেই হাতীটো গভীৰ অৰণ্যলৈ যাওঁতে তাৰ ভৰিত তেল লাগি আহিছিল। তাৰপৰাই তাত তেল থকাৰ উমান পোৱা গৈছিল।

ভাৰতীয় উপমহাদেশৰ শোধানাগাৰ বোৰৰ ভিতৰত ডিগবৈয়ে হ'ল আতাইতকৈ পুৰণি তেল শোধানাগাৰ।

কাজিৰঙা জাতীয় উদ্যান

অসমৰ মধ্যভাগত অৱস্থিত এই উদ্যানখনৰ আয়তন ৬৮৮ কি.মি. । এই কাজিৰঙা জাতীয় উদ্যানখন এশিঙিয়া গড়ৰ বাসস্থান । কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত বৃটিছৰ ৰাজত্ব চলি থকাৰ সময়ত চিকাৰীসকলে প্ৰচুৰ গড় চিকাৰ কৰিছিল আৰু গড়বোৰ প্ৰায় নোহোৱা হব ধৰিছিল । তেতিয়া বৃটিছ চৰকাৰে ইয়াৰ জন্তুবোৰক ৰক্ষা কৰাৰ কাৰণে এই অৰণ্যখনক সংৰক্ষিত বনাঞ্চল ঘোষণা কৰি ইয়াত জন্তু চিকাৰ কৰা নিষেধ কৰিছিল । ১৯৪০ চনত এই বনাঞ্চলক অভয়াৰণ্য ঘোষণা কৰা হৈছিল আৰু ১৯৭৪ চনত এই অভয়াৰণ্যই জাতীয় উদ্যানৰ মৰ্য্যাদা লাভ কৰিছিল । ব্ৰহ্মপুৰৰ পাৰত অৱস্থিত এই উদ্যানখনত বৰ্তমান ১০০০ তকৈও অধিক গড় আছে । ইয়াত থকা অন্য আপুৰুগীয়া জন্তুবোৰ

হ'ল বনৰীয়া ম'হ, জলাহভূমিত থকা হৰিণ আৰু গাঙ্গেয় ডলফিন ।

তাৰপাছত মাহীমাকে তেজিমলাৰ মৰাশটো নি ঘৰৰ পিছফালে গাঁত খান্দি মনে মনে পুতে থৈছিল । ওচৰ চুবুৰীয়াই তেজিমলাৰ কথা সুধিলে মাহীমাকে মোমায়েকৰ ঘৰলৈ যোৱা বুলি কৈছিল।

কিছুদিন পিছত তেজিমলাক পুতিথোৱা ঠাইখিনিত এডাল লাওপুলি গজি উঠিছিল । খুব কম দিনৰ ভিতৰতে লাওপুলিটো লহপহকৈ বাঢ়ি আহিছিল আৰু তাত বহুতো লাও লাগিছিল । এদিনাখন এটা বাটৰুৱাই সেইফালেৰে যাওঁতে লাওবোৰ লাগি থকা দেখি তাৰে এটা লাও চিঙি আনিবলৈ গৈছিল । কিন্তু বাটৰুৱাজনে লাও চিঙিবলৈ হাত মেলোতেই লাওগছ জোপাই মাত লগাইছিল, "লাও চিঙিবলৈ তুমি হাত নেমেলিবা, মই আচলতে লাও নহয়, মই তেজিমলাহে !" লাওগছে কথা কোৱা শুনি ভয়তে বাটৰুৱাজনে তাৰপৰা দৌৰি পলাই গৈছিল ।

লাওগছে কথা কোৱা তেজিমলাৰ মাহীমাকেও শুনিবলৈ পাইছিল । 'হে হৰি, এতিয়া কি কৰা যায় । তেজিমলাৰ দেউতাকে ঘূৰি আহি যদি লাওগছজোপৰ পৰা আচল কথাটো জানিব পাৰে মোৰ অৱস্থা কি হব ?' মাহীমাকে ভাবিছিল । সেয়েহে তাই লাওগছ-জোপা কাটি বাৰীৰ পিছফালে পেলাই দিছিল ।

কেইসপ্তাহমান পিছত লাওগছজোপা পেলোৱা ঠাইখিনিত এডাল জলকীয়াৰ গছ গজি উঠিছিল । গছজোপাত জলকীয়া ওলমি লাগি আছিল ।

এদিন কেইজনমান গৰখীয়া সেইফালেৰে যাওঁতে গছত জলকীয়া লাগি থকা দেখি

কেইটামান জলকীয়া চিঙিব খুজিছিল । সিহঁতে জলকীয়া চিঙিবলৈ যাওঁতে গছজোপাই মাত লগাইছিল, "হে গৰখীয়া, জলকীয়া চিঙিবলৈ হাত নেমেলিবা, আচলতে মই জলকীয়া নহয়, মই তেজিমলাহে ।" গৰখীয়াবোৰে তেতিয়া ভূতে কথাকোৱা বুলি ভাবি ভয়তে তাৰপৰা দৌৰি পলাই গৈছিল ।

তেজিমলাৰ মাহীমাকে তাৰপাছত জলকীয়াৰ গছডাল কাটি নৈত উটুৱাই দিছিল । জলকীয়া পেলোৱা ঠাইখিনিত নৈৰ মাজত ধুনীয়া পদুম ফুল ফুলি উঠিছিল ।

ইতিমধ্যে সদাগৰ ভৃগু আৰু যুৱকজনে সেই সময়ত নাওৱেৰে বাণিজ্যৰ পৰা ঘৰলৈ উভতি আহি আছিল । নৈৰ মাজত ধুনীয়া পদুমফুল এটা ফুলি থকা দেখি যুৱকজনে সেইটো চিঙি আনিবলৈ হাত মেলিছিল ।

তেতিয়া ফুলটোৱে মাত লগাইছিল, "হে যুৱক, তুমি মোক নিচিঙিবা, আচলতে মই ফুল নহও, মই তেজিমলাহে ।" ফুলৰ মাত শুনি সদাগৰ আৰু যুৱকজন আচিৰিত হৈছিল । তেওঁলোকে তেজিমলাৰ মৃত্যুৰ কথা জনা নাছিল। কিন্তু তেজিমলাৰ মাতটো দেউতাকে চিনিব পাৰিছিল । তেতিয়া দেউতাকে মৰমেৰে কৈছিল, "হে মোৰ মৰমৰ তেজিমলা, তুমি ক'ত আছা ? তুমি যদি সঁচাকৈয়ে তেজিমলা হোৱা মোৰ কাষলৈ আহা ।"



দেউতাকৰ মৰমৰ মাত শুনি পদুমফুল গৈ তেজিমলাত ৰূপান্তৰিত হৈছিল আৰু দেউতাকক গৈ সাবতি ধৰিছিল । তাৰ পাছত তেজিমলাই দেউতাকৰ আগত সকলো কথা বিৱৰি কৈছিল । তেজিমলাক নিষ্ঠুৰভাৱে বধ কৰাৰ কথা শুনি পত্নীৰ ওপৰত সদাগৰৰ ভীষণ খং উঠিছিল ।

তাৰপাছত তেওঁলোকে ঘৰত গৈ উপস্থিত হৈছিল । কাঞ্চনে সদাগৰ আৰু যুৱকজনৰ সৈতে তেজিমলাকো দেখি আচৰিত হৈছিল । তাই বুজিব পাৰিছিল তাইৰ খেলা খতম । সদাগৰে পত্নী কাঞ্চনক ঘৰৰ পৰা খেদি দিছিল আৰু মহা আৰম্বৰেৰে যুৱকজনৰ সৈতে তেজিমলাৰ বিয়া পাতি দিছিল ।

ভ্ৰমণ স্থান

গুৱাহাটী মহানগৰীৰ ভিতৰতে নীলাচল পৰ্বতৰ ১৬০ মিটাৰ উচ্চতাত কামাখ্যা মন্দিৰ অৱস্থিত । আমাৰ দেশৰ শাক্তিপীঠ বোৰৰ ভিতৰত ইয়াকো অন্যতম প্ৰধান শক্তিপীঠ বুলি বিবেচনা কৰা হয় । শক্তিৰ উপাসকসকল এই মন্দিৰ দৰ্শন কৰিবলৈ আহে । এই মন্দিৰত কামাখ্যা দেৱীৰ পূজা কৰা হয় । দেশ বিদেশৰ বহুতো ভ্ৰমণকাৰী এই ঠাই দৰ্শন কৰিবলৈ আহে ।

সংবাদ বিচিত্ৰা

ভাৰসাম্য ৰক্ষাৰ দুঃসাহসীক কাৰ্য্য

তোমালোকৰ ভিতৰত কম বয়সৰ পঢ়ুৱৈসকলে স্কুলৰ বছৰেকীয়া খেল-ধেমালি প্ৰতিযোগিতাত চামুচত কণীলৈ দৌৰা খেলটোৰে সৈতে পৰিচিত হবা। প্ৰতিযোগিসকলে চামুচত কণীটো লৈ (কণীৰ সলনি গোল নেমুও ব্যৱহাৰ কৰা হয়) ভাৰসাম্য বজাই ৰাখি দৌৰিব লাগিব । অৱশ্যে কণী বা নেমুটো যদি চামুচৰ পৰা পৰি যায় প্ৰতিযোগিতাৰ পৰা বাহিৰ হব লাগিব । এতিয়া তুমি কল্পনা কৰাছোন, তুমি এটা ১০ ইঞ্চি ওখ গাখীৰেৰে পূৰ্ণ বটল খালী মূৰত লৈ এক নিৰ্দিষ্ট দূৰত্ব যাব লাগিব । যিয়ে বটলটো নপৰাকৈ সেই দূৰত্ব অতিক্ৰম কৰিব পাৰিব তেওঁ পুৰস্কাৰ পোৱাৰ যোগ্য হব আৰু ইচ্ছা কৰিলে বটলৰ গাখীৰখিনিও খাব পাৰিব । অষ্ট্ৰেলিয়াৰ চেন্ট্ৰেল চিডনিত হোৱা এনে এক খেলত ভাৰতত জন্ম গ্ৰহণ কৰা সুৰেশ জোৱাচিমে গাখীৰৰ বটল এটা মূৰত লৈ ভাৰসাম্য বজায় ৰাখি ১৩৩ কি.মি. অতিক্ৰম কৰিছিল। পিচে তেওঁ সেই দূৰত্ব অতিক্ৰম কৰে মানে গাখীৰখিনি নষ্ট হৈ গৈছিল, কিন্তু তেওঁ এটা পুৰস্কাৰ অৰ্জন কৰিছে আৰু তেওঁৰ নামটোৱে গিনিজ বুকত ঠাই পাইছে ।

পৰুৱাৰ মিউজিয়াম

থাইলেণ্ডৰ কচেট-চাৰ্ট বিশ্ববিদ্যালয়ত এটা বেলেগ ধৰণৰ মিউজিয়াম আছে । এই মিউজিয়ামটোত ১০০,০০০ তকৈও অধিক প্ৰকাৰৰ পৰুৱা ৰখা আছে। বনবিভাগৰ অধিনত এই মিউজিয়ামটো আছে । ইয়াতে প্ৰায় এশ পৰুৱাৰ ফেমিলি আৰু ৫৫০ বিধ জীৱন্ত পৰুৱা প্ৰদৰ্শন কৰি ৰখা আছে । তাৰোপৰি ১০০,০০০ পৰুৱা মাদকদ্ৰব্যৰে সংৰক্ষণ কৰি ৰাখিছে । যদি তুমি কেতিয়াবা থাইলেণ্ডলৈ (আগৰ নাম চিয়াম, যি বগাহাতীৰ কাৰণে বিখ্যাত) যোৱাৰ সুযোগ পোৱা পৰুৱাৰ মিউজিয়ামটো চাবলৈ নাপাহৰিবা ।

গণেশ

এবাৰ নাৰদ কৈলাসলৈ গৈ থাকোঁতে বাটত কণ্টকমুখী নামৰ এক যক্ষিনীৰ সৈতে দেখাদেখি হ'ল । যক্ষিনীয়ে নাৰদক ক'লে, "নাৰদ, তুমি মোক বিয়া নকৰোৱা কিয় ? মোক বিয়া কৰাই ব্ৰহ্মচাৰী জীৱনৰ আধ্যা পেলোৱা । তুমি হ'লা ব্ৰহ্মাৰ পুত্ৰ, তুমিনো এনেকৈ ডাং-বৰলাটো হৈ টাংগুটি বাই ফুৰি থকাটো উচিতনে ?"

নাৰদে ক'লে, "মই কন্দল ভক্ষণকাৰী । কাজিয়া-কন্দল ৰান্ধি খুৱাব পৰা এজনীক পালে মই বিবেচনা কৰিব চাব পাৰোঁ ।"

"তুমিনো কি, মই তোমাতকৈ বহুগুণে ডাঙৰ দন্দুৰী ।" যখিনীয়ে ক'লে ।

ঠিক তেতিয়াই কাৰ্তিক আৰু গণেশ সেই ফাললৈকে আহি আছিল । নাৰদে যখিনীক ক'লে, "তুমি সেই দুজনৰ মাজত এতিয়াই কাজিয়া লগাব পাৰিবানে ?"

"ই আক' কিবা টান কাম নেকি ! মই যেতিয়াই-তেতিয়াই এই কাম কৰিব পাৰোঁ।" এই বুলি কৈ কণ্টকমুখীয়ে ওচৰতে থকা দল সৰোবৰত সোণৰ পদুম হৈ ফুলি ক'লে, "মই পাৰ্বতী-পৰমেশ্বৰৰ কাৰণে এই সৰোবৰত ফুলিছোঁ ।" এইবোৰ কথা কৈ কৈ তাই গীত জুৰিলে ।

গণেশে ক'লে, "এই পদুমটো মোৰ ।" কাৰ্তিকৰ খং উঠিল আৰু ক'লে, "মাই যে তোমাক কেনেকৈ সৃষ্টি কৰিছিল সেই কথাটো তুমি ভালকৈয়েই জানা । তুমি ঘৰতে আলৰটো হৈ বহি মাৰলি গণি থাকা । তুমিনো এই ফুলেৰে কি কৰিবা ?"

কার্তিকৰ কথাত গণেশৰো উগ্ৰ খং উঠিল আৰু ক'লে, "লেতেৰা বোকাৰে পৰিপূৰ্ণ পুখুৰীত তোমাৰ জন্ম হ'ল । বৰ বৰ কথা নক'বা ।"

কার্তিকে গণেশক মাৰিবলৈ চেষ্টা কৰাত গণেশে তেওঁৰ শুঁৰেৰে মেৰিয়াই ধৰি কার্তিকক এসেকা ভালকৈ দিবলৈ চেষ্টা কৰিলে ।

এই বিষম অৱস্থা দেখি নাৰদ লৰৰি আহিল আৰু দুয়োকো ক'লে, "তোমালোকে আন কিবা ধৰণৰ বাজি মাৰা ।"

কার্তিকে কেইমুহূর্তমান ভাবি লৈ ক'লে, "যিজনে তিনিবাৰ বিশ্ব ভ্ৰমণ কৰি আহিব এই সোণৰ পদুমৰ তেৱেঁই হ'ব আচল গৰাকী।" এই বুলি কৈ ময়ূৰৰ পিঠিত উঠি কার্তিক বিশ্ব-প্ৰদক্ষিণ কৰিবলৈ ওলাল ।

হুমুনিয়াহ কাঢ়ি গণেশ ধুপুচুকৈ মাটিতে বহি পৰিল । তেতিয়া নাৰদে গণেশক সুধিলে, "কি হ'ল গণেশ ?"

গণেশে ক'লে, "যাৰ ভাগ্যত যি আছে । মোৰ বাহনটোৰ পিঠিত উঠি মই কেতিয়াবা বিশ্ব-প্ৰদক্ষিণ কৰিব পাৰিমনে ? নোৱাৰিম। গতিকে -- সোণৰ পদুমৰ গৰাকী দেখিছোঁ কার্তিকেই হ'বগৈ ।"

নাৰদে ক'লে, "গণেশ, পাৰ্বতী পৰমেশ্বৰ হ'ল বিশ্বৰ মাতৃ-পিতৃ । তেওঁলোকক দৰ্শন কৰিবলৈহে মই আহিছিলোঁ । বাৰু, এতিয়া মই যাওঁহে ।" এই বুলি কৈ তম্বুৰা বজাই নাৰদ গুচি গ'ল ।

গণেশ শিৱ-পাৰ্বতীৰ ওচৰলৈ গৈ, তেওঁলোকৰ চৰণত প্ৰণাম কৰি পিতৃ-মাতৃক তিনিবাৰ প্ৰদক্ষিণ কৰি কার্তিক উভতি অহালৈ বাটচাই ৰৈ থাকিল ।

বহু আলৈ-আহুকাল ভুঞ্জি, তিনিবাৰ বিশ্বপ্ৰদক্ষিণ কৰি কার্তিকো উভতি আহিল। কার্তিকৰ জলৰ-জপৰ অৱস্থালৈ চাই গণেশে ক'লে, "ভাই কার্তিক, তুমি দেখিছোঁ ভাগৰি পৰিছা । জয় অৱশ্যে মোৰেই হ'ল--তথাপি সোণৰ পদুমটো তুমিয়েই লোৱা । সেইটোত মোৰ আৱশ্যক নাই ।"

কার্তিকে আচৰিত মানি ক'লে, "তোমাৰনো কেনেকৈ জয় হ'ল ? তুমি দেখোন ইয়াতে বহি আছিলা !"

"ওহোঁ, তুমি ঘূৰি অহাৰ আগতেই মই তিনিবাৰ বিশ্ব-প্ৰদক্ষিণ কৰিলোঁৱেই । বিশ্বাস হোৱা নাই যদি, যাকে ইচ্ছা সুধি চোৱা ।"

গণেশে কার্তিকক ক'লে ।

লগে লগে আকাশৰপৰা দৈৱবাণী শুনা গ'লঃ হয়, গণেশেই জয়ী হ'ল । তেওঁ তিনিবাৰ বিশ্ব-প্ৰদক্ষিণ কৰিলেই তুমি ঘূৰি অহাৰ আগতে ।

তেতিয়া কাৰ্তিকে সত্য ঘটনা জ্ঞাত হৈ গণেশক ক'লে, "ককাইদেউ, মই কঠোৰ তপস্যাৰে ব্ৰহ্মজ্ঞানী হ'লো; কিন্তু ক্ষুদ্ৰ বিষয়সমূহত মোৰ জ্ঞান নহ'ল । তুমি তীক্ষ্ণবুদ্ধি সম্পন্ন । যি কি নহওক--মই তাৰকাসুৰৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিম, মোক আশীৰ্বাদ কৰাঁ । কিয়নো, তোমাৰ আশীৰ্বাদ বিনে কোনো কাৰ্য্য সফল নহ'ব ।" কাৰ্তিকে গণেশক প্ৰণাম কৰিলে ।

গণেশে কাৰ্তিকক ক'লে' "ভাই, তুমি ঠিক কথা কৈছিলা যে মই আলৰ হৈ বহি থাকিবলৈ ভাল পাওঁ । গতিকে--আৰু পলম নকৰি এতিয়াই তাৰকাসুৰক সমুচিত শাস্তি দিবলৈ ওলাই যোৱা ।"

কাৰ্তিকে আৰু পলম নকৰিলে । দেৱতা সকলৰ সেনাপতি হৈ কাৰ্তিক তেতিয়াই তাৰকাসুৰক বধ কৰিবলৈ ওলাল ।

যক্ষ-অধিপতি কুবেৰে কন্টকমুখীক মতাই অনাই ক'লে, "তুমি স্বয়ং শিৱৰ পুত্ৰ দুজনৰ মাজত অযথা বিৰোধৰ সৃষ্টি কৰিছিলা কিয় ? আজিৰপৰা তুমি ৰঘুমলা হৈ মাটিৰ বুকুত পৰি থাকিবা ।"

কুবেৰৰ অভিশাপত কন্টকমুখীয়ে কাঁইটীয়া জোপোহাত পৰি থাকিলগৈ ।

ইপিনে তাৰকাসুৰক কাৰ্তিতে বধ কৰিলে । দেৱতাসকলে বৰ ভাল পালে । তেওঁলোকে দেৱযানীৰ সৈতে কাৰ্তিকৰ বিবাহৰ যো-জা কৰিলে । কিন্তু ককায়েক গণেশৰ তেতিয়ালৈকে বিয়া নোহোৱাত আগ্ৰহ থকা সত্বেও কাৰ্তিক সন্মনহ'ল ।

তেতিয়া পাৰ্বতীয়ে গণেশক ক'লে "বোপা গণেশ, তুমি বিয়া নকৰালে আমাৰ কাৰ্তিকে বিয়া কৰায়নো কেনেকৈ ?"

"এই কথা কিয় কৈছা, মা ? যাৰ যেতিয়া মন যায় বিয়া কৰাব । মই অকলশৰে থাকি ভাল পাও । গতিকে--বিয়া মই নকৰাওঁ ।" গণেশে ক'লে ।

এইদৰে কিবা নহ'লেও কিবা অজুহাত দেখুৱাই গণেশে সদায় বিয়াখন এৰাই চলিছিল । এইবাৰো গণেশ কথমপি সাৰিল। কিন্তু কিছুদিনৰ পাছত পাৰ্বতীয়ে যেতিয়া



ইফালে গণেশে তপস্যাৰ বাবে যিডোখৰ ঠাই বাছি উলিয়ালে, তাত আছিল অতি ডাঠ কাঁইটীয়া-জোপোহা । এনেকুৱা এডোখৰ ঠাইত কোনোবাই তপস্যাত বহিবহি বুলি ভবা টান । ঠাইডোখৰ ভাল হওক বেয়া হওক-- অপ্সৰীহঁত বাধ্যত পৰি তালৈ গ'ল নাচিবলৈ। সিহঁতৰ ভৰি কাঁইটে বিন্ধিলে, তেজ বিৰিঙিবলৈ ধৰিলে । কিন্তু তথাপি ইন্দ্ৰৰ আদেশ মতে সিহঁত নাচি থাকিল । এনেকুৱা এক নিদাৰুণ অৱস্থাৰ মাজত গণেশৰ অকস্মাৎ ধ্যানভংগ হ'ল আৰু অপ্সৰীহঁতে যি যেনিয়েদি পাৰিলে পলাল ।

যখিনী কন্টকমুখীয়ে কাঁইটৰ ৰূপত তাতে আছিল । তাই গণেশক প্ৰণাম কৰি ক'লে, "হে প্ৰভু ! তোমাৰ সৈতে কাৰ্তিকৰ কাজিয়া লগোৱা বাবে মোক কুবেৰে ইয়ালৈ পঠিয়াইছে । তোমাৰ অনুগ্ৰহত মই মোৰ এই কষ্টদায়ক জীৱনৰ-পৰা মুক্তিলাভ কৰিবলৈ খাটিছোঁ ।"

এই দিনটো আছিল গণেশ-পূজাৰ দিন । গণেশে কন্টকমুখীক ক'লে, "হে কন্টকমুখী, তুমি খেদ নকৰিবা । তুমি যি কাঁইটীয়া ফল ধাৰণ কৰিবা, সেই ফল বিনে মোৰ পূজা নহ'ব ।" যখিনীয়ে তেতিয়া সাময়িকভাৱে মুক্তি লভিলে ।

তাৰ পাছত অৰ্ক নামৰ অপ্সৰীজনীয়ে গণেশক প্ৰণাম কৰি ক'লে, "প্ৰভু, ইন্দ্ৰৰ অভিশাপত মোৰ এই অৱস্থা হৈছে । মোক কোনেও নোছোৱে । আনৰ এৰেহা খাই জীৱনধাৰণ কৰিব লাগে । মই মোৰ সমগ্ৰ

আকৌ বিয়া কৰাৰ কথা ক'লে, তেতিয়া গণেশে ক'লে, "চোৱা মা, মই এতিয়া কঠোৰ তপস্যাত মগ্ন হ'ম । কাৰ্তিকে কঠোৰ তপস্যা কৰি বৰলাভ কৰিলে । সি খোজাতকৈও শক্তিশালী বৰ লাভ কৰিছে । মই দেখোন এতিয়ালৈকে এবাৰৰ বাবেও তপস্যা নকৰিলোঁৱেই । মই বৰ পাম কেনেকৈ?" এই বুলি কৈ গণেশ তপস্যা কৰিবলৈ ওলাল ।

কিন্তু ইন্দ্ৰই গণেশৰ তপস্যা ভংগ কৰিবলৈ অপ্সৰীহঁতক পঠালে । কেৱল অৰ্ক নামৰ অপ্সৰী এজনীয়ে গণেশৰ তপস্যা ভংগ কৰিবলৈ মান্তি নহ'ল । তেতিয়া ইন্দ্ৰই তাইক এই বুলি অভিশাপ দিলে, "তুমি পৃথিৱীত কাউৰী হৈ জনমিবা আৰু মানুহ আৰু অন্যান্য জীৱজন্তুৰো এৰেহা খাই জীৱন ধাৰণ কৰিবা।"

জীৱনকাল ধৰি আপোনাক অন্তৰ উজাৰি ভক্তি-শ্ৰদ্ধা কৰি আহিছোঁ। অনুগ্ৰহ কৰি মোক মুক্তি দিয়ক।"

গণেশে অৰ্কক ক'লে, "তুমি স্পৰ্শ কৰা ফুল-ফল সকলোৱে সানন্দে গ্ৰহণ কৰিব। তুমি দ্বাপৰ যুগত পুনৰ আবিৰ্ভূতা হ'বা, কৃষ্ণৰ সমাদৰ লাভ কৰিবা। এতিয়া তুমি শাপমুক্তা, গতিকে--তোমাৰ ইচ্ছা হ'লে তুমি স্বৰ্গলৈ যাব পাৰা। ইন্দ্ৰই তোমাৰ একো অনিষ্ট কৰিব নোৱাৰিব।"

অপ্সৰীৰ ৰূপ ধৰাণ কৰি অৰ্ক আকৌ স্বৰ্গলৈ উভতি গ'ল। অগত্যা গণেশো স্বৰ্গলৈ গ'লগৈ। তাত গণেশক পাৰ্বতীয়ে দেখা পায়েই আকৌ ক'লে, "তোমাৰ তপস্যা শেষ হ'ল। এইবাৰ তুমি বিয়া কৰোৱা।"

গণেশে আচৰিত হৈ ক'লে, "কি কৈছা মা! তপস্যা আৰম্ভ নৌকৰোতেনো শেষ হ'ব কেনেকৈ?" এই বুলি কৈ গণেশ আকৌ তপস্যা কৰিবলৈ গ'ল। এইবাৰ অসংখ্য সাপৰ গাঁত থকা ঠাইত তেওঁ তপস্যা কৰিবলৈ বহিল আৰু সাপ-বিলাকে গণেশক পহৰাদিবলৈ ধৰিলে।

তেতিয়া ইন্দ্ৰই মূষিকাসুৰৰ অনুচৰহঁতক ক'লে, "তোমালোকৰ জাতিৰ এজনক যিজনে বাহন হিচাপে লৈছে, এতিয়া তেৱেঁই তোমালোকৰ বংশ নিৰ্মূল কৰিবলৈ যো-জা কৰিছে। তোমালোকক সবংশে নিৰ্বংশ কৰাটোৱেই গণেশৰ উদ্দেশ্য।"

ইন্দ্ৰৰ কথা শুনি মূষিকাসুৰৰ অনুচৰহঁতে তেতিয়াই গণেশৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিলে। অসংখ্য সৰ্পই মূষিকাসুৰৰ অনুচৰহঁতক বাধা দিলে। সৰ্পৰ আক্ৰমণত

ভালেমান মৰিল, আৰু ভালেমান আহত হৈ পলাই পত্ৰং দিলে ।

কিন্তু তথাপি ইন্দ্ৰ নদমিল । গণেশৰ তপস্যা ভংগ কৰিবলৈ তেওঁ দেৱতা আৰু অপ্সৰীহঁতক পঠালে নানাবিধৰ চোকা চোকা অস্ত্ৰেৰে সজ্জিত কৰি । ছলে-বলে-কৌশলে গণেশৰ তপস্যা ভংগ কৰিবই লাগিব--এয়ে ইন্দ্ৰৰ একমাত্ৰ আৰু দৃঢ় পণ ।

গণেশৰ ওচৰলৈ গৈ দেৱতাসকলে বিভিন্ন ধৰণৰ শব্দ কৰিলে আৰু অপ্সৰীহঁতে নাচিবলৈ ধৰিলে । তেতিয়া আকৌ সৰ্পহঁতৰ আক্ৰমণ আৰম্ভ হ'ল । দেৱতা সকলে বজ্ৰায়ুধ প্ৰয়োগ কৰিলে । তাৰ ফলত সৰ্পহঁত অধিক ক্ৰুদ্ধ হৈ উঠিল । তেতিয়া নাগলোকৰপৰা অসংখ্য নাগ--অৰ্থাৎ সৰ্প আহিল আৰু বজ্ৰায়ুধ প্ৰয়োগ কাৰী দেৱতাসকললৈ খেদি গ'ল ।

ইমানবোৰ সৰ্পৰ মাজত গণেশক বহি থকা দেখা পাই পাৰ্বতীয়ে দস্তুৰমতে ভয় খালে । তেতিয়া গণেশে ক'লে, "মা, দেউতাক যেনেকৈ সাপে একো অনিষ্ট নকৰে, তেনেকৈ মোকো একো নকৰে । আচলতে নাগকুল মোৰেই ভূষণ । আচলতেই নাগকুলেই মোক বজ্ৰায়ুধৰপৰা ৰক্ষা কৰিছিল। গতিকে তুমি মুঠেই চিন্তিত নহ'বা। দেউতাৰ দৰে ময়ো নাগৰ সৈতে খেলিম ।"

শিৱ ওচৰতেই থিয় হৈ আছিল । পাৰ্বতী আৰু গণেশৰ কথোপকথন শিৱই মনযোগেৰে শুনিলে আৰু ভাবিলে যে বিয়া-বাৰু নকৰিবলৈ গণেশে নিজেই এইদৰে এইবোৰ সহস্ৰ বিঘ্নৰ সৃষ্টি কৰি আছে ।

পাৰ্বতীয়ে আকৌ গণেশক বিয়া কৰাৰ কথা সোঁৱৰাই দিলে । তেতিয়া গণেশে ক'লে, "বাৰু মা, তুমি যে মোক ইমানকৈ বিয়া কৰাবলৈ কৈছা--মই সুপাত্ৰ হিচাপে যোগ্য হ'ব পৰা কিবা কৰিব পাৰিছোঁনে আজিলৈকে ? গতিকে তোমাক মিনতি কৰি কওঁ, আগতে যোগ্যতা অৰ্জন কৰিবলৈ দিয়া, পাছত বিয়া ।"

"তোমাৰনো যোগ্যতাৰ অভাৱ হ'ল কেনেকৈ ? জ্ঞান, বুদ্ধি, ক্ষমতা, শক্তিতনা তোমাৰ সমকক্ষ কোন আছে ? তুমিও যদি পাত্ৰ হিচাপে অযোগ্য--তেনেহ'লে জগতত যোগ্যপাত্ৰনো কোন আছে ?" পাৰ্বতীয়ে খেদ প্ৰকাশ কৰি গণেশক ক'লে ।

মানৱ ধৰ্ম

বিষ্ণুপুৰ গাঁৱত বিষ্ণু শৰ্মা নামৰ এজন পণ্ডিতে বাস কৰিছিল । তেওঁ সেই গাঁৱৰে এখন পাঠশালাত গাঁৱৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰক শিক্ষা দিছিল । তেওঁৰ একমাত্ৰ পুত্ৰৰ নাম আছিল জ্ঞান শৰ্মা । গণিত শাস্ত্ৰত তেওঁ বৰ পাৰ্গত আছিল । সেই কাৰণে তেওঁ ৰাজদৰবাৰতে চাকৰি পাইছিল আৰু ৰাজধানীতে থাকিবলৈ লৈছিল ।

বিষ্ণু শৰ্মা নিজে অধ্যাপক হোৱা হেতুকে উত্তৰাধিকাৰী সূত্ৰে পোৱা তেওঁৰ সম্পত্তিত ৰাজনাথ নামৰ এজন কৃষকক খেতি কৰিবলৈ দিছিল ।

ৰাজনাথৰ সুবুদ্ধি নামৰ এজন পুত্ৰ আছিল । তাৰ নাম যেনে সুবদ্ধি শিক্ষা-দীক্ষাতো তেনে পাৰ্গত আছিল । সুবুদ্ধিয়েও বিষ্ণু শৰ্মাৰ পাঠশালাতে শিক্ষা লাভ কৰিছিল।

এদিন জ্ঞান শৰ্মাই তেওঁৰ মাক দেউতাকক দেখা কৰিবলৈ পত্নী আৰু সন্তানসহ গাঁৱলৈ আহিছিল । তেওঁ ৰাজদৰবাৰত উচ্চ পদত কাম কৰা কাৰণে চাৰি-পাঁচজন অনুচৰ লগত লৈ ঘোঁৰাৰ গাড়ীত উঠি গাৱলৈ আহিছিল । সুবুদ্ধিয়ে জ্ঞান শৰ্মাৰ বৈভৱ দেখি তেওঁৰো ৰাজদৰবাৰত চাকৰি কৰাৰ ইচ্ছা হৈছিল । তেওঁ নিজৰ মনৰ কথা মাক দেউতাকৰ আগত কলে ।

ৰাজনাথ আৰু ৰমাদেৱী পুতেকৰ কথা শুনি স্তব্ধ হৈ গ'ল । ৰাজনাথে পুতেকক বুজাই কলে, "কৃষি আমাৰ বংশৰ বৃত্তি । এই বয়সত লিখা-পঢ়া কৰি শিক্ষিত হব লাগে, সেয়েহে মই তোমাক পাঠশালালৈ পঠাইছো। সকলোৱে যদি চাকৰি কৰিবলৈ বিচৰা তেনেহলে এই ধৰণীৰ চোৱা -চিতা কোনে কৰিব । তোমাৰ মনৰ ভাব পৰিবৰ্তন কৰা আৰু খেতি-বাতি কৰি আমাৰ লগতে এই গাঁৱতে থাকা ।"

মাক ৰমাদেৱীয়েও পুতেকক বুজাই-বঢ়াই কলে, "বাচা, তোমাক এৰি আমি কেনেকৈ থাকিম ? চাকৰি পোৱাৰ পিছত তুমি আমাক



এৰি দূৰ ঠাইলৈ গুচি যাবা । আমাৰ এই ধৰণীৰ ওপৰত অটল বিশ্বাস আছে । তোমাৰ লগত থকাতো আমাৰ কেনেকৈ সম্ভৱ হব?"

মাক দেউতাকৰ কথাই তেওঁৰ মনৰ পৰিবৰ্তন আনিব নোৱাৰিলে । এদিন মাজনিশা সুবুদ্ধিয়ে এখন মোনাত কাপোৰ ভৰাই আৰু খেতিৰ বস্তু বিক্ৰী কৰি যি টকা পাইছিল তাৰে কিছু টকা লৈ চাকৰিৰ সন্ধানত ওলাই গল ।

ৰাতিপুৱাৰ সময়ত তেওঁ অইন এখন গাঁৱৰ সীমাত উপস্থিত হ'ল । সেই সময়ত তেওঁৰে বয়সৰ এজন যুৱকে তাল-গছৰ পৰা ওলোৱা ৰসপূৰ্ণ কলহ এটা লৈ গছৰ পৰা নামি আহিছিল । তেওঁ সুবুদ্ধিক সুধিলে, "কলৈ যোৱা ভাই ?" সুবুদ্ধিয়ে খঙতে কলে, "তুমিতো তাৰি বিক্ৰী কৰা, সাতটা বেয়া স্বভাৱৰ ভিতৰত সিও এটা । তোমাৰ লগত মোৰ কি কাম ? মই যলৈকে নাযাওঁ তাতে তোমাৰ কি ?"

সুবুদ্ধিৰ কথা শুনি যুৱকে হাঁহি মাৰি কলে, "মোৰ হাতত তাৰিৰ কলহ দেখি কিয় ইমান খং কৰিছা ? মোৰ নাম কুশ । ময়ো লিখা-পঢ়া কৰিছো । মই ভাবিছিলো চাকৰি কৰি সুখ ভোগ কৰিম আৰু মোৰ সন্মান বাঢ়িব। কিন্তু প্ৰতিজন মানুহৰে কিছুমান দায়িত্ব আছে । মই সেইবোৰ নাজানি ঘৰ এৰি গুছি গৈছিলো । মোৰ কাৰণে কান্দি কান্দি মোৰ মা-দেউতা অন্ধ হৈ গৈছিল । এই কথা জানিব পাৰি মই ঘৰলৈ উভতি আহিলো । এতিয়া মই তেওঁলোকৰ মনৰ আনন্দহে বিচাৰো, তাৰ বাহিৰে মোক একো নালাগে । ইয়াতেহে মই আনন্দ পাওঁ । যদি তুমি তোমাৰ মা-দেউতাক ভাল পোৱা তেনেহলে তুমি ইয়াৰ পৰাই ঘৰলৈ উলতি যোৱা ।"

যুৱকৰ কথা শুনি সুবুদ্ধিয়ে থৎমত খালে। তাৰ পাছত নিজকে সংযত কৰি লৈ কলে, "তোমাৰ কথা সঁচা বুলি বাৰু মানি ললো । কিন্তু মনৰ ইচ্ছা হ'ল বাঢ়নি পানীৰ দৰে । এতিয়া এই ইচ্ছা ৰোধ কৰাৰ মোৰ শক্তি নাই।"

সুবুদ্ধিৰ নিজৰ মাক দেউতাকৰ কথা মনলৈ আহিল । তাৰ হৃদয় চিন্তাগ্ৰস্ত হৈ পৰিল। দুপৰীয়ালৈকে খোজকাঢ়ি গৈ থাকোতে তেওঁৰ খুব ভোক লাগিল । বাটৰ কাষতে থকা এটা জুপুৰী ঘৰলৈ তেওঁ সোমাই গ'ল । সেই জুপুৰীটোৰ ভিতৰত আধা বয়সীয়া এজন মানুহ বহি আছিল । তেওঁৰ চাৰিওফালে কিছুমান বনৌষধি সিচৰতি হৈ পৰি আছিল আৰু অতি মনোযোগেৰে তেওঁ এখন কিতাপ পঢ়ি আছিল ।

সুবুদ্ধিৰ ভৰিৰ খোজৰ শব্দ শুনি তেওঁ মূৰ তুলি চাই সুবুদ্ধিক দেখি কলে, "প্ৰখৰ ৰ'দত খোজকাঢ়ি আহিছা । কলৈ যাবা ?" তেতিয়া সুবুদ্ধিয়ে সকলো কথা বিবৰি কলে।

সেই মানুহজনে সকলো কথা শুনাৰ পাছত কলে, "মোৰ নাম গুৰুনাথ । মোৰ নিজৰ বুলিবলৈ কোনো নাই । যেতিয়া মই জীৱনৰ ওপৰত বিৰক্ত আছিলো তেতিয়া এজন সিদ্ধ ব্যক্তিয়ে মোক তেওঁৰ লগত ইয়ালৈ লৈ আহিছিল । তেতিয়াৰ পৰা তেওঁৰ দ্বাৰা ৰচিত বৈদ্য সম্পৰ্কীয় গ্ৰন্থৰ পৰা ঔষধ আৰু ইয়াৰ ব্যৱহাৰ সম্পৰ্কে জ্ঞান আহৰণ কৰি আছো । এতিয়া মই অন্ধৰ ঔষধৰ বিষয়ে অধ্যয়ন কৰি আছো । এইখন সেই সিদ্ধজনৰে আশ্ৰম । ৰাতিপুৱাই তেওঁ বাহিৰলৈ ওলাই গৈছে । তেওঁৰ উভতিবৰ সময় হৈছে ।"

পোন্ধৰ মিনিট মানৰ ভিতৰতে সিদ্ধজন আশ্ৰমলৈ উলতি আহিল । সুবুদ্ধিৰ বিষয়ে সকলো শুনাৰ পিছতে তেওঁ সুবুদ্ধিৰ ভোজনৰ ব্যৱস্থা কৰিলে ।

তাৰ পাছত সিদ্ধই সুবুদ্ধিক কলে, "বাটত তুমি যিজন কুশক লগ পাইছা, তেওঁ তোমাক জীৱনৰ এক মহান সত্যৰ কথা কৈছে। সেই যুৱক ধন্য, যিয়ে মাক-দেউতাকৰ সেৱাত নিজকে সমৰ্পন কৰিছে। নিজৰ কৰ্ত্তব্য সম্পৰ্কে তেওঁ সচেতন । সৰু-ডাঙৰ কৰ্ত্তব্য কৰি যোৱাতো মানৱ ধৰ্ম । সেই ধৰ্মই তেওঁ ঠিকমতে পালন কৰি গৈছে । বলা আমি সেই যুৱকৰ ঘৰলৈ যাওঁ ।

সিদ্ধ, গুৰুনাথ আৰু সুবুদ্ধি তিনিও কুশৰ ঘৰলৈ গল । সেই সময়ত কুশই অন্ধ মাক-



দেউতাকক মহাভাৰত পঢ়ি শুনাই আছিল । তিনিওজনকে তেওঁ আদৰ-সাদৰ কৰি মাতি নিলে ।

সিদ্ধই কুশক কলে, "তুমি মা-দেউতাৰ যি সেৱা কৰিছা সেয়া প্ৰশংসনীয় । তোমাৰ বিষয়ে মই সুবুদ্ধিৰ মুখৰ পৰা সকলো শুনিছো। তোমাৰ মা-দেউতাৰ অন্ধত্ব দূৰ কৰিবলৈ মোৰ লগত বনৌষধি লৈ আহিছো। তোমালোক তিনিওজনে তেওঁলোকৰ দৃষ্টি প্ৰাৰ্থনা কৰি তেওঁলোকৰ চকুত এই বনৌষধি লেপন কৰি দিয়া ।" এইবুলি কৈ প্ৰথমতে তেওঁ গুৰুনাথক সেই বনৌষধি দিলে ।

গুৰুনাথে প্ৰথমতে ঔষধ স্পৰ্শ কৰি কলে, "সিদ্ধ গুৰুদেৱে কোৱা অনুসাৰে মই এই ঔষধ তৈয়াৰ কৰিছো । ইমান দিনৰ পিছত এই ঔষধ পৰীক্ষা কৰাৰ সময় আসন্ন হৈছে ।" তাৰ পাছত যুৱকৰ মাক-

দেউতাকক কলে, "আপোনালোকে যদি দৃষ্টি শক্তি ফিৰাই পায় মোৰ জীৱন ধন্য হব ।" ইয়াকে কৈ তেওঁলোকৰ চকুত ঔষধ লেপন কৰি দিলে ।

চাৰি-পাঁচ মিনিট পাৰ হৈ যেৱাৰ পিছতো তেওঁলোকৰ ওপৰত এই ঔষধৰ কোনো প্ৰভাৱ নপৰিল । তাৰ পাছত সিদ্ধই সুবুদ্ধিক সেই কাম কৰিবলৈ দিলে ।

সুবুদ্ধিয়ে কলে, "মই ঘৰৰ পৰা গুচি আহিছো । তাৰমানে এই নহয় যে মই নিজৰ মা-দেউতাক ভাল নাপাওঁ । মোৰ সম্পূৰ্ণ বিশ্বাস আছে এই ঔষধে আপোনালোকৰ দৃষ্টি শক্তি ফিৰাই দিব ।" এইবুলি কৈ সুবুদ্ধিয়ে তেওঁলোকৰ চকুত ঔষধ লেপন কৰি দিলে।

কিন্তু ইয়াৰ দ্বাৰাও কোনো কাম নহ'ল। সিদ্ধই হাঁহি মাৰি কলে, "শুনা, গুৰুনাথৰ নিজৰ কোনো নাই, তথাপিতো ডাঙৰ হবলৈ তেওঁৰ মহৎ আকাংক্ষা আছে, সুনাম অৰ্জন কৰাৰ ইচ্ছা আছে । প্ৰতিষ্ঠা লাভ কৰাৰ আশাত, টকাৰ লোভত পাগল হৈ সুবুদ্ধিয়ে ঘৰ এৰি গুচি আহিছে আৰু নিজৰ মাক-দেউতাকৰ মনত দুখ দিছে । এতিয়া চোৱা, এই কুশই নিজৰ মাক দেউতাকৰ অন্ধত্ব দূৰ কৰাত সফল হয় নে নহয় ।" এইবুলি কৈ সিদ্ধই কুশৰ হাতত ঔষধখিনি দিলে ।

কুশই প্ৰথমতে সিদ্ধক নমস্কাৰ কৰি উঠি কলে, "যি মা-দেউতাই মোক জন্ম দিছে তেওঁলোকৰ সেৱা কৰাতো মোৰ ধৰ্ম বুলি বিবেচনা কৰো । তেওঁলোকৰ ইচ্ছা অনুসাৰে জীৱন কটোৱাতো মোৰ আদৰ্শ । মোৰ দৃষ্টিত এয়েই উত্তম মানৱ ধৰ্ম । ইয়াৰ প্ৰতি মোৰ অটল বিশ্বাস আছে ।" ইয়াকে কৈ কুশই মাক-দেউতাকৰ চকুত ঔষধ লেপন কৰি দিলে ।

কিছু ক্ষণৰ ভিতৰতে কুশৰ মাক-দেউতাকৰ দৃষ্টি শক্তি ঘূৰি আহিল । তেওঁ-লোকে এতিয়া সকলো বস্তু দেখিবলৈ পায় । ইয়াকে দেখি সকলো আচৰিত হ'ল । সুবুদ্ধিয়ে সিদ্ধক প্ৰণাম কৰি কলে, "এতিয়াহে বুজিব পাৰিলো বৃদ্ধ মা-দেউতাৰ মনত আনন্দ দিয়াতো সৰ্বোত্তম মানৱ ধৰ্ম ।" তাৰ পাছত তেওঁ বিষ্ণুপুৰলৈ উলতি গ'ল আৰু মাক-দেউতাকে কোৱা অনুসাৰে জীৱন কটাই সুখেৰে থাকিবলৈ ধৰিলে ।





আনক কন্দুৱা লোক

অন্য মানুহক আশা দিয়া আৰু তেওঁলোকক কন্দুৱা বিকাশৰ এক অভ্যাস আছিল । এইবোৰ কাম কৰি তেওঁ আনন্দ পাইছিল । এদিন তেওঁ যেতিয়া ৰাস্তাৰে গৈ আছিল এটা ভিক্ষাৰীয়ে তেওঁৰ সম্মুখত হাত পাতি কলে, "মহাৰাজ, খুব ভোক লাগিছে। দুদিন ধৰি একো খোৱা নাই । এটা টকা দিয়ক। পেটভৰাই খাই লও ।"

বিকাশে ভিক্ষাৰীৰফালে ভালদৰে চাই কলে, "তুমি মোক মহাৰাজ বুলি সম্বোধন কৰিছা । পিচে তোমাকহে মোৰ মহাৰাজ যেন লগিছে । তোমাৰ মুখৰ পৰাই সেই আভা ফুটি উঠিছে । শুণা, মই যি কও তাকে যদি কৰা তেনেহলে তোমাৰ গৰীৱী দূৰ হব । তুমি আৰু লঘোনে থাকিব নালাগিব । কোনো মানুহৰ আগত হাত পাতিব নালাগিব । মোৰ সৈতে যাবানে ?"

ভিক্ষাৰীটো তেওঁৰ পিছে পিছে গ'ল । বিকাশে ভিক্ষাৰীটোক পোনে পোনে তেওঁৰ ঘৰলৈ লৈ গ'ল আৰু নতুন কাপোৰ পিন্ধিবলৈ দিলে । তাৰ পাছত তেওঁক এঘৰ মানুহৰ ঘৰলৈ লৈ গ'ল আৰু ঘৰৰ গৰাকীক কলে, "ছদ্মবেশ ধৰি ৰজা নিজেই ইয়ালৈ আহিছে। তেওঁ তোমালোকৰ দুখ-দুৰ্দশাৰ কথা জানিব বিচাৰিছে ।"

ঘৰৰ গৰাকীজন সঁচাকৈয়ে দুখত ভোগী আছিল । সুবিধা পাই তেওঁ নিজৰ দুখ-দুৰ্দশাৰ কথা বিৱৰি কৈ আছিল । তেতিয়া বিকাশে কলে, "অহা কালি ৰাতিপুৱা গাঁৱৰ বাহিৰত থকা অতিথিশালালৈ যাবা । তোমাক যিমান ধনৰ আৱশ্যক মহাৰাজে নিজে দিব ।"

ইয়াৰ পিছত বিকাশে ভিক্ষাৰীজনক আৰু এঘৰ মানুহৰ ঘৰলৈ লৈ গ'ল । সেই ঘৰৰ মালিকক সৈনিকে কোনো কাৰণ নোহোৱাকৈয়ে জেলত বন্দী কৰি ৰাখিছিল আৰু মুকলি কৰি আনিবলৈ এশ মুদ্ৰা ভেটি

অভিষেক পুৰী

খুজিছিল। তেতিয়া বিকাশে কলে, "আপোনালোক সকলোৱে কালি গাঁৱৰ বাহিৰত থকা অতিথিশালালৈ যাব। মহাৰাজে আপোনালোকৰ সমস্যা দূৰ কৰিব।"

সেই গাঁৱতে এজন কবি আছিল। তেওঁ নিজৰ কবিতা ৰজাৰ দৰবাৰত শুনাবলৈ উৎসুক আছিল। এজনী বুঢ়ীয়ে নিজৰ বয়সৰে ৰাজমাতাক চাবলৈ বিচাৰিছিল। এনে ধৰণৰ বহুতো মানুহ সেই গাঁৱত আছিল। বিকাশে তেওঁলোকক দেখা কৰি সকলো লোককে ৰাতিপুৱা অতিথিশালালৈ আহিবলৈ কলে।

সন্ধিয়া হোৱাত বিকাশে ভিক্ষাৰীটোক নিজৰ ঘৰলৈ লৈ গ'ল। তেওঁ ভিক্ষাৰীটোৰ পৰা কাপোৰবোৰ ঘূৰাই ৰাখি কলে, "যোৱা, এতিয়া ভিক্ষা খোজাগৈ।"

"কালি তুমি গাঁৱৰ বাহিৰত থকা অতিথিশালালৈ ৰাতিপুৱাই আহিবা। তাৰপাছত দেখিবা তাত কি হয়। খুব মজা লাগিব। হাঁহি হাঁহি বাগৰি পৰিবা।" বিকাশে কলে।

পিছদিনা বিকাশে অতিথিশালালৈ গৈ আচৰিত হ'ল। মহাৰাজ নিজেই তাত উপস্থিত আছিল। আগদিনা বিকাশে মানুহবোৰক যি যি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল, ৰজাই সেই সকলোবোৰ ৰক্ষা কৰিলে।

তেতিয়া বিকাশে বুজিব পাৰিলে এই ভিক্ষাৰীজন আন কোনো নহয়, স্বয়ং ৰজাই। তেতিয়া তেওঁ ৰজাৰ ভৰিত পৰি ক্ষমা খুজি কলে, "প্ৰভু, মোৰ কাৰণেই গাঁৱৰ কিমান লোকে যে সুবিধা পালে, মোৰ প্ৰতিও কৃপা কৰক।"

"ঠিক আছে। আজিৰ পৰা তুমি কৈদী হৈ গাঁৱৰ মাজত থকা ওখ মাটিৰ দেৱালৰ ঘৰটোত থাকিবা। গাঁৱত কোনো সমস্যা উদ্ভব হলে তোমাক কোৱা হব আৰু তুমিয়ে সেই সমস্যা সমাধান কৰিব লাগিব। পিছে মনত ৰাখিবা, তুমি চিৰদিনৰ কাৰণে কৈদী হৈ থাকিব লাগিব।"

"মহাৰাজ, আপুনি মোক কিয় এনে শাস্তি দিব বিচাৰিছে।" বিকাশে খুব দুখমনে কলে।

"মই ইয়াৰ বাহিৰে আৰু কি কৰিব পাৰো। তোমাৰ দৰে মানুহক কন্দুৱাই মই খুব আনন্দ পাও।" মহাৰাজে হাঁহি হাঁহি কলে।



বুঢ়ীৰ উপদেশ

এখন গাঁৱত সীতাৰাম নামৰ এজন পণ্ডিত আছিল । তেওঁ গাঁৱৰে ছাত্ৰ-ছাত্ৰীবোৰক পঢ়ুৱাইছিল আৰু তাৰ বিনিময়ত তেওঁ গুৰুদক্ষিণা লৈছিল । এইদৰে তেওঁৰ পাঁচ শ টকা জমা হৈছিল ।

কাশীত বিদ্যান পণ্ডিতসকলৰ এখন সভাৰ আয়োজন কৰা হৈছিল । সেই সভালৈ সীতাৰাম পণ্ডিতকো আমন্ত্ৰণ জনাইছিল । এতিয়া পণ্ডিতৰ মুস্কিল হ'ল সেই টকাখিনি কাৰ ওচৰত সুৰক্ষিত কৰি ৰাখি থৈ যাব । তেওঁ ঘৰতে টকাখিনি ৰাখিব বুলি ভাবিছিল, কিন্তু তেওঁৰ পত্নীয়ে ৰাখিবলৈ অস্বীকাৰ কৰিলে । পত্নীয়ে কলে, "ইয়াৰ দ্বাৰা বিপদহে বাঢ়িব । মই এই টকাখিনিৰ চকিদাৰী কৰি থাকিব নোৱাৰো । কোনোবাদিনা ৰাতি ঘৰত চোৰ সোমাই এই টকাৰ লগতে মোৰ প্ৰাণটোও মাৰিব ।"

সীতাৰাম বৰ চিন্তাত পৰিল । তেওঁ কাশীনাথৰ দোকানলৈ গৈ তেওঁৰ পৰামৰ্শ বিচাৰিলে, "তুমিয়েই কোৱাচোন টকাখিনি কাৰ ওচৰত সুৰক্ষিত থাকিব ।" তেতিয়া কাশীনাথে কলে, "টকা পইচাৰ ক্ষেত্ৰত তুমি ভগবান ব্ৰহ্মাকো বিশ্বাস নকৰিবা । ইয়াৰ দ্বাৰা বিপদহে হব ।"

তেওঁলোক দুয়ো যেতিয়া কথা কৈ আছিল সেই সময়ত দোকানত কাম কৰা ল'ৰাটোৱে এজনী তিৰোতাক তেল জুখি দি তাৰ দাম লৈছিল।

কাশীৰামে চিনিব পাৰিলে সেই তিৰোতাজনী কোন । তাৰ পাছত তেওঁ কাম কৰা ল'ৰাটোক ধমক দি কলে, "বদমাচ, তোক মই কিমানবাৰ কৈছো যে গ্ৰাহকৰ পৰা বেচি দাম নলবি । আমি পছিশ পইচা লাভ লোৱাৰ কথা । কিন্তু তই পছত্তৰ পইচা বেচি লৈছ । এইটো তই ভাল কাম কৰা নাই । ভৱিষ্যতে এনে কৰিলে তোক কামৰ পৰা বাহিৰ কৰি দিম । তিৰোতাজনী দোকানলৈ আকৌ যদি কিবা কিনিবলৈ আহে তই অতিৰিক্ত পইচাখিনি ঘূৰাই দিবি ।"

এই ঘটনা নিজ চকুৰে দেখি সীতাৰামৰ

সম্পূৰ্ণ বিশ্বাস হ'ল যে কাশীৰামতকৈ বিশ্বাসী লোক আৰু কোনো নহব । দোকানৰ পৰা আৱশ্যকীয় বস্তু কিনি লৈ সীতাৰাম ঘৰলৈ গ'ল। তাৰ পাছত তেওঁ এখন মোনাত টকাখিনি ভৰাই লৈ আহি মোনাখন কাশীৰামৰ হাতত দি কলে, "কাশীৰাম, এই টকাৰ মোনাখন লোৱা । মই কাশীৰ পৰা উভতি নহা পৰ্যন্ত তুমি এই টকাখিনি ৰাখিব লাগিব ।"

"বাপৰে বাপ, এইটো মোৰ দ্বাৰা নহব । মই তোমাৰ টকা স্পৰ্শই নকৰো । তথাপি এটা কাম কৰিব পাৰা, মোৰ ঘৰৰ যতেই ইচ্ছা তুমি এটা গাঁত খান্দি এই টকাৰ মোনাখন তুমি পুতি থব পাৰা । কাশীৰ পৰা উভতি আহি মোনাখন লৈ যাবা ।" কাশীৰামে কলে ।

সীতাৰামৰ অনুমান হ'ল কাশীৰাম সঁচাকৈয়ে ভাল মানুহ । তেওঁ কাশীৰামৰ ঘৰত গাঁত এটা খান্দি ধনৰ মোনাখন পুতি থলে । তাৰপাছত তেওঁ নিশ্চিত হৈ গুচি গ'ল ।

কাশীলৈ গৈ তেওঁ পণ্ডিতসকলৰ সভাত ভাগ ললে । তাৰ পৰা তেওঁ গাঁৱলৈ উভতি আহিয়েই কাশীৰামৰ ঘৰলৈ গৈ কাশীৰামক কলে, "মই টকাখিনি লৈ যাওঁ ।"

"নিয়, নিয়া ! কিয় নিনিবা ? সেয়া তোমাৰ টকা । তোমাৰহে তাত অধিকাৰ আছে । ক'ত পুতি থৈছিলা মনত আছেন ?" কাশীৰামে সুধিলে ।

সীতাৰামে য'ত গাঁত খান্দি টকাৰ মোনাখন ৰাখিছিল তাত গাঁত খান্দি দেখিলে টকাৰ মোনা তাত নাই । যেতিয়া সীতাৰামে কাশীৰামৰ আগত টকাৰ মোনাখন নোহোৱা হোৱাৰ কথা কলে তেতিয়া তেওঁ কলে, "মই কি জানো ? তুমি টকাৰ মোনাখন ক'ত পুতি থৈছিলা সেইয়াও মই দেখা নাই ।" সীতাৰামৰ বুজিবলৈ বাকী নাথাকিল যে, কাশীৰামে তেওঁক ঠগিলে । নিৰাশ হৈ তেওঁ ঘৰলৈ উভতি গ'ল ।

সীতাৰামে বাটতে ৰুক্মিণী নামৰ বুঢ়ী এজনীক লগ পালে । বুঢ়ীয়ে তেওঁক দেখিয়েই সুধিলে, "কেতিয়া উভতি আহিলা বাচা ? খুব চিন্তিত যেন দেখিছো ? কিবা হৈছে নেকি ?"

সীতাৰামে সকলো কথা বুঢ়ীৰ আগত কলে। বুঢ়ীয়ে অলপ চিন্তা কৰি কলে, "বাচা, চিন্তা নকৰিবা । কাশীৰামৰ পৰা টকা উলিয়াইহে এৰিম । কিন্তু মই যি কওঁ তুমি তাকে কৰিব লাগিব। তাৰ পাছত বঢ়ীয়ে তেওঁক এক পৰামৰ্শ দিলে । সীতাৰামে সেইটো কাৰ্য্যকৰী কৰিবলৈ সাজু হ'ল ।

ইয়াৰ দুঘণ্টামানৰ পিছতে বুঢ়ীয়ে দুহেজাৰ টকা মূল্যৰ গহনা লৈ কাশীৰামৰ ওচৰলৈ গ'ল। বুঢ়ীয়ে কাশীৰামক কলে, "চোৱা বাচা, দহ বছৰ

আগতে মোৰ ল'ৰাটো পঢ়িবলৈ কাশীলৈ গৈছিল। কিন্তু এতিয়াও ঘূৰি অহা নাই।ময়ো বুঢ়ী হৈ গলো। কেতিয়া মৰো ঠিক নাই। গতিকে ইয়াৰ আগতে কাশীলৈ গৈ মই ল'ৰাটো ক'ত আছে জানিব বিচাৰিছো। তুমি জানাইতো মোৰ আৰু কোনো নাই। মোৰ হাতত দুহেজাৰ টকা মূল্যৰ গহনা আছে। সেইবোৰ লগত লৈ গলে বাটতে চোৰে লৈ যাব। তুমিতো ধৰ্মাত্মা। শুনিবলৈ পাইছো কাশীলৈ যোৱাৰ আগতে সীতাৰামেও বোলে তোমাৰ তাতে ধন ৰাখিছিল। এইটোও শুনিছো তুমি বোলে অন্যৰ ধনক মাটি বুলি ভাবা। মই যেতিয়ালৈকে ঘূৰি নাহো মোৰ এই গহনাখিনি ভালদৰে ৰাখিবা।"

কাশীৰামে ভাবিলে তেওঁৰ ভাগ্য সুপ্ৰসন্ন হৈছে। সীতাৰাম যে কাশীৰ পৰা উভতি আহিছে সেই কথা বুঢ়ীয়ে এতিয়াও জনা নাই। তেওঁ বুঢ়ীক কলে, "বুঢ়ীমা, আপুনি আপোনাৰ গহনা মোৰ ঘৰৰ যিকোনো ঠাইত নিজে পুতি থৈ যাওক।

উভতি অহাৰ পিছত লৈ যাব।

এনেতে সীতাৰাম তালৈ চাহি কলে, "চোৱা কাশীৰাম, মই য'ত টকা পুতি থৈছিলো সেই ঠাইখিনি পাহৰি গৈছিলো। এতিয়াহে আচল ঠাইখিনিৰ কথা মনত পৰিছে। তাতে খান্দি চাওঁ।"

কাশীৰাম চিন্তিত হৈ পৰিল। কাৰণ, যদি বুঢ়ীয়ে জানিব পাৰে যে সীতাৰামে ৰখা টকাখিনি তাৰপৰা নোহোৱা হৈছে তেতিয়াহলে বুঢ়ীয়ে তেওঁৰ ওচৰত গহনা নাৰাখিব। সেয়েহে তেওঁ সীতাৰামক কলে, "তোমাৰ দৰে মোৰো সন্দেহ হৈছিল। মই অন্য এঠাইত খান্দি চাওঁ যে, যেনে মোনা তেনেই পৰি আছে।" এইবুলি কৈ কাশীৰাম ভিতৰলৈ গৈ সীতাৰামৰ টকাৰ মোনাখন আনি গতাই দিলে।

এই ঘটনাৰ পিছত বুঢ়ীয়ে যেন মনিব পৰা নাই এনেদৰে সীতাৰামৰ ফালে চোৱাৰ ভাও ধৰি কলে, "কোন? এইটো সীতাৰাম নেকি? কাশীৰ পৰা কেতিয়া উভতি আহিলা? তুমি মোৰ ল'ৰাটোক কাশীত লগ পাইছিলা না?"

সীতাৰামে বুঢ়ীক কলে, "এয়া অলপ আগতে আহি পাইছো। তোমাৰ ল'ৰাৰ সৈতে মোৰ দেখা হৈছিল। দুদিনমানৰ ভিতৰতে তেওঁ উলতি আহিব। এই কথাটো তেওঁ মোক তোমাৰ আগত কবলৈ কৈছে।"

তোমাৰ লগত দেখা হ'ল, ভালেই হ'ল। নহলে ময়েই কাশীলৈ যাবলৈ খুজিছিলো। তেতিয়াহলে আৰু তালৈ যোৱাৰ আৱশ্যক নাই।" এইবুলি কৈ সীতাৰামৰ সৈতে তেওঁও গুচি আহিল। কাশীৰামে মাথোঁ তেওঁলোক যোৱাৰ ফালে একেথৰে চাই থাকিল।

চান্দমামাৰ নিবেদন
15
অজেয় গৰুড়
চিত্ৰ : পাণি
চন্দ্ৰপুৰীৰ সেনাপতি নৰেন্দ্ৰদেৱে লগৰীয়াৰে সৈতে তান্ত্ৰিক নাগবন্ধুক দেখা কৰিবলৈ পৰ্বতৰ কন্দৰত থকা মন্দিৰলৈ গৈছিল । তেওঁৰ আশা, নিৰুদ্দেশ হোৱা ৰজাৰ বিষয়ে তেওঁ কিবা খবৰ পাব । তান্ত্ৰিকে তেওঁক নিজৰ ওচৰত বহুৱাই লৈ অনুষ্ঠান চাবলৈ কৈছিল ।
অনুষ্ঠান চাই থকাৰ সময়ত নৰেন্দ্ৰদেৱে সম্মোহিত ব্যক্তিৰ নিচিনাকৈ বহি থাকিল।
তান্ত্ৰিকৰ আহ্বানৰ দ্বাৰা অনুষ্ঠান আৰম্ভ হয়।
ৰাজৰ্ষি নাগবন্ধু মহাৰাজ কি জয় !
জয় !
ৰাজৰ্ষি কি জয় !
মহাৰাজ কি জয় !
জয় !
জয় ! জয় ! নাগবন্ধু মহাৰাজ !
জয় ! জয় !!
ভক্তসকলে এইদৰে নাচি নাচি যেন ধ্যান মগ্ন হৈ গল । তেওঁলোকে গৰুড়ৰ নিচিনাকৈ সজ্জিত এজন যুৱকৰ চাৰিওফালে ঘূৰি ঘূৰি নাচিলে ।


যুৱক স্তম্ভিত হৈ গ'ল । ভক্তগণে এতিয়া কি কৰে তালৈ চাই থাকিল । তেওঁলোকে হঠাতে বহুত ওচৰলৈ আহিল ।
তেওঁলোক সকলোৱে বিষতে কেঁকাবলৈ ধৰিলে আৰু এজন এজনকৈ মাটিত বাগৰি পৰিল । তেওঁলোকৰ হাতৰ পৰা সাপবোৰ মুকলি হৈ গ'ল ।
হা! আঃ!
হা! হা!
কি? আঃ! আঃ!
অ'! আঃ!

কিছুমান জনজাতি নেতা দৌৰি গ'ল ।
কি, সাপে মোক আক্ৰমণ কৰিব নেকি ?
কি হ'ল ? উঠা ! উঠা !
তান্ত্ৰিকে পাগলৰ দৰে ক্ৰোধিত হৈ মন্দিৰৰ ভিতৰলৈ গ'ল । কিছুমান ভক্ত তেওঁৰ পিছে পিছে গ'ল ।
মই অমঙ্গল দেখিবলৈ পাইছো । অনুষ্ঠান চলি থাকিব দিব নোৱাৰো ।
কিবা ভুল হ'ল কিজানি !
কি, তুমি মনোযোগ দিছা ? গৰুড় পুৰুষ সুৰক্ষিত আছে । কোনো হানি হোৱা নাই ....
নৰেন্দ্ৰদেৱৰ কথা শেষ নহওতে মন্দিৰৰ ভিতৰৰ পৰা এজন ভক্ত ওলাই আহিল ।
অনুষ্ঠান বন্ধ কৰি দিয়া হ'ল । আমাৰ মহাৰাজে বিচাৰিছে আপোনালোকে অনা উপহাৰবোৰ অগ্নিকুণ্ডত অৰ্পণ কৰিব লাগে ।

সাপে ভক্তসকলক দংশন কৰি থকা দেখি জনজাতীয় লোকসকলে ভয় খালে ।
আহা ! এই ভয়ঙ্কৰ ঠাইৰ পৰা গুচি যাওঁ !
কি ভয়ানক দৃশ্য !
গুচি নাযাবা । শান্ত হোৱা । গৰুড়ৰ পোৱালিক অগ্নিকুণ্ডত এৰি দিয়া ।
জনজাতীয় লোকসকল যেতিয়াই পোৱালি বোৰ পেলাবলৈ শাৰীবদ্ধ হ'ল ....।
তান্ত্রিক মন্দিৰৰ পৰা ওলাই আহিছে । তেওঁ ক্রোধিত হৈ আছে ।
এয়া কি ? পৃথিৱী কঁপিব ধৰিছে !
ভূমিকম্প অহা বাবে তেওঁলোকে ইফালে-সিফালে পলাবলৈ ধৰিলে। পোৱালি উৰি গ'ল ।
মোৰ শত্রু যুৱকৰ ৰূপত দেখা দিছে । তেওঁ নিজকে গৰুড় বুলি কয় ।
যুৱক ? গৰুড় ?
ক্রমশঃ

খেলিমেলি খেমালি

তোমালোক আটাইয়ে উৎসাহী কিশোৰ কিশোৰী ।
তোমালোকে সময় কটোৱাৰ কাৰণে ইয়াত
কিছুমান সমল আছে !

উৰণীয়া দৈত্য

এই দৈত্যটোৱে তাক লগাতকৈও বেচি খাইছে । সি জীৱন্তে গিলি থোৱা প্ৰাণীবোৰ তুমি চিনাক্ত কৰিব পাৰিবানে ?

I

অমিলবোৰ চিনাক্ত কৰা !

এই চিত্ৰ দুখন একে ধৰণৰ হব পাৰে, কিন্তু দুয়োখনৰ মাজত আঠটা অমিল আছে । তাক চিনাক্ত কৰা !

II

এই খেমেলীয়া কাৰ্য্যবোৰে তোমাৰ সৃজনি শক্তি আৰু পৰ্য্যবেক্ষণ শক্তি নিৰূপণ কৰিব ।

মাছৰ ছবি

সহজ আকৃতি আৰু আৰ্হি অনুকৰণ কৰি এটা মাছ আঁকা । তুমি মাথোঁ নিৰ্দেশবোৰ ঢাপে ঢাপে অনুসৰণ কৰিব লাগিব ।



ডগীৰ সমস্যা

ডগীয়ে তাৰ বন্ধু মলীৰ চালৈকে যাব খোজে, কিন্তু সি যোৱা পথত বহুতো আচৰিত প্ৰাণী আছে, তাৰোপৰি পথটো সমস্যাবহুল । তুমি তাৰ বন্ধুক লগ পোৱাত সহায় কৰি দিব পাৰিবানে !



একেটা পাকতে !

এই সাধাৰণ প্ৰাণীটোত আশ্চৰ্য্য হব লগা কি আছে? এইটো পেন্সিল নোতোলাকৈ একেটা টানতে আঁকা হৈছে । তুমিয়ো চেষ্টা কৰি চাব খোজা নেকি?

ফটো নামকৰণ প্ৰতিযোগিতা



কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা ।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাড়ুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব । পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব !

অভিনন্দন

মে সংখ্যাৰ পুৰস্কাৰ বিজয়ী :
নীলাঞ্জনা ডেকা (বাবলি)
১, বেলভেডিয়ৰ ইষ্টেট
আলিপুৰ, ক'লকাতা - ২৭

বিজয়ী বাক্য

টেপৰ পানীয়ে আমাৰ প্ৰাণ ।
ডাবৰ পানীৰে জুৰাওঁ পৰাণ ।

খেলিমেলি ধেমালিৰ উত্তৰ (পৃষ্ঠা ৬৪)

অমিলবোৰ চিনাকি কৰা! : ১. মিউজিকেল নোট নাই I, ২. ছোৱালীজনীৰ পোচাকত ফুট্‌ফুটীয়া চিহ্ন নাই I, ৩. ল'ৰাটোৰ হাফপেন্টত পকেট নাই II, ৪. চৰাইৰ এখন পাখী নাই I, ৫. ল'ৰাটোৰ মুখত দাঁত দেখা নাই I, ৬. কুকুৰটোৰ গাত এটা চিহ্ন কম II, ৭. ফুলদানীৰ ডট চিহ্ন কম II, ৮. চৰাইটোৰ গাত এটা চিহ্ন কম I.

উৰণীয়া দৈত্য

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited. No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

PERFETTI van Melle

আচলটোয়ে কৰিব লাখটকীয়া!

নকলটোৱে পিন্ধাব হাতকেৰেয়া।

এই ব্যৱসায়ৰ সদস্যসকলক ইয়াৰ দ্বাৰা সাৱধান কৰি দিয়া হৈছে যে Alpenliebe ব্ৰেণ্ডৰ দৰে দেখিবলৈ নকল ব্ৰেণ্ড বনোৱা, মজুত কৰা বা বেচাটো আইনতঃ অপৰাধ।

জিকক 51 লাখ টকাৰ পুৰস্কাৰ!

প্ৰথম পুৰস্কাৰ

1 লাখ টকাৰ এটা নগদ পুৰস্কাৰ

দ্বিতীয় পুৰস্কাৰ

10,000 টাইটান ড্যাশ ঘড়ী

তৃতীয় পুৰস্কাৰ

1,00,000 পাৰফেটী গিফ্‌ট হেম্পাৰ

তলত দিয়া বাক্যটো পুৰা কৰক।

Alpenliebe 'Rich................ Caramel Candy'

Send your entries to **'Alpenliebe, GPO, New Delhi - 110001'.**

Name : .... Address : ....

Alpenliebe ৰ 10 টা ৰেপাৰ ইয়াত লগাওক।

Last date for receipt of entries is 15/07/02. Winners to be selected by a Lucky Draw to be held on 31/07/02. Winners will be individually informed by post.

TERMS & CONDITIONS: Entries should only be in English sent by ordinary post addressed to **Alpenliebe, GPO, New Delhi - 110001.** Photocopies of this form can also be used. For an entry to be valid consumers must attach 10 Alpenliebe Mono wrappers and write their name and address clearly in English along with the entry. Offer closes 15th July 2002. Perfetti India Pvt. Ltd. shall not be responsible for any postal delays or lost entries. Cash Prize shall be disbursed through Cheque in favour of the Winner. Any tax liability arising out of the prizes shall be borne by the Winner. The Winners of Titan Dash Watch(es) and Perfetti Gift Hampers shall receive their Prize through registered post. The First Prize Winner shall be contacted individually for the prize and will need to establish his/her identity. Prize Winners shall be selected through draw of lots from amongst the correct entries received during the offer, in the presence of two Independent Judges, to be held on 31st July 2002. Offer not open to the employees of Perfetti India Pvt. Ltd., McCann-Erickson India Ltd. and their immediate relatives. Decision of Perfetti India Pvt. Ltd. shall be final and binding. No correspondence shall be entertained in this regard. Disputes, if any, subject to jurisdiction of New Delhi Courts. Offer not valid in the State of Tamil Nadu.

CHANDAMAMA (Assamese) JULY 2002 Registrar of Newspaper for India No. 30278/76
Registered No. TN/CPMG-870/2002